# শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ ইতিবৃত্তঃ এক অধ্যয়ন

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক ষষ্ঠ ষান্মাসিকৰ অসমীয়া DSE-3(H) কাকতৰ
প্ৰয়োজন পূৰ্তিৰ বাবে প্ৰস্তুত কৰা প্ৰকল্প


তত্ত্বাৱধায়ক
ড° দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
উপাসা কটকী
স্নাতক ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
ৰোল নংঃ ৩০৮১০১৭২
বিশ্ববিদ্যালয় পঞ্জীয়ন নংঃ S1921792

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ


ইং ২০২২ বৰ্ষ

Scanned by CamScanner

# শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ ইতিবৃত্ত ঃ এক অধ্যয়ন

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষাণ্মাসিকৰ
অসমীয়া DSE-3(H) কাকতৰ প্ৰয়োজন পূৰ্তিৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প


তত্ত্বাৱধায়ক
ড° দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
শ্ৰীমতী উপাসা কটকী
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ
ৰোল নং ঃ ৩০৮১০১৭২
বিশ্ববিদ্যালয় পঞ্জীয়ন নং ঃ S1921792



নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
ইং ২০২২ বৰ্ষ


Scanned by CamScanner

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট , অসম, পিন- ৭৮৫৬৩০


প্রসঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

## প্রমাণ পত্র

শ্ৰীমতী উপাসা কটকী স্নাতক ষষ্ঠ ষান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০১৭২) ৰ ছাত্ৰী। তেওঁ ড° দেৱপ্ৰতীম হাজৰিকাৰ তত্ত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ ইতিবৃত্ত ঃ এক অধ্যয়ন"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

Scanned by CamScanner

ড° দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট- ৭৮৫৬৩০

দ্ৰাম্যভাষঃ ৭০০২৮৬২৩৭১
ইমেইল ঃ dprotim@gmail.com

প্ৰসঙ্গ নং.........

তাৰিখ ঃ ১১/০৭/2022

## প্ৰমাণ পত্ৰ

ইয়াৰ দ্বাৰা প্ৰমাণ পত্ৰ দিয়া হয় যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া (উচ্চমান) বিষয়ৰ **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰস্তুত কৰিবলগা প্ৰকল্পৰ বাবে শ্ৰীমতী উপাসা কটকীয়ে মোৰ তত্ত্বাৱধানত **শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ ইতিবৃত্ত ঃ এক অধ্যয়ন** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। প্ৰকল্পৰ বাবে কৰা ক্ষেত্ৰ অধ্যয়ন তেওঁৰ নিজা প্ৰচেষ্টাৰ ফল। ছাত্ৰীগৰাকীয়ে প্ৰকল্পৰ বাবে প্ৰয়োজনীয় সকলো নিয়ম আৰু গৱেষণা পদ্ধতি মানি চলিছে। প্ৰকল্পৰ কোনো অংশ তেওঁ পূৰ্বতে প্ৰকাশ কৰা নাই।

তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

দেৱপ্ৰতীম হাজৰিকা

(ড° দেৱপ্ৰতীম হাজৰিকা)

Department of Assamese
Date ............

Scanned by CamScanner

# সূচীপত্ৰ


| | | |
|---|---|---|
| **কৃতজ্ঞতা জ্ঞাপন** | | **ক** |
| ০.০ | **অৱতৰণিকা** | **খ-গ** |
| ০.১ | বিষয়ৰ পৰিচয় | |
| ০.২ | বিষয়ৰ পৰিসৰ | |
| ০.৩ | বিষয়ৰ গুৰুত্ব | |
| ০.৪ | বিষয় অধ্যয়নৰ পদ্ধতি | |
| ০.৫ | পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা | |
| **প্ৰথম অধ্যায়** | | ১-৫ |
| ১.০ | অসমৰ সত্ৰ সংস্কৃতি | |
| **দ্বিতীয় অধ্যায়** | | ৬-১৭ |
| ২.০ | কমলাবাৰী সত্ৰৰ ইতিহাস | |
| **তৃতীয় অধ্যায়** | | ১৮-২২ |
| ৩.০ | কমলাবাৰী সত্ৰত সংৰক্ষিত সম্পদসমূহ | |
| **চতুৰ্থ অধ্যায়** | | ২৩-২৪ |
| ৪.০ | তিতাবৰ সমাজ জীৱনলৈ কমলাবাৰী সত্ৰৰ অৱদান | |
| **উপসংহাৰ** | | ২৫ |
| **গ্ৰন্থপঞ্জী** | | ২৬ |
| **প্ৰসংগটোকা** | | ২৭ |
| **তথ্য দাতাৰ তালিকা** | | ২৮ |


Scanned by CamScanner

## কৃতজ্ঞতা জ্ঞাপন

'শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ ইতিবৃত্ত ঃ এক অধ্যয়ন', উক্ত গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে মোক তত্বাৱধান দিয়া আমাৰ বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱপ্ৰতীম হাজৰিকা ছাৰক তেখেতে আগবঢ়োৱা সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ বহুকেইজন বুঢ়াভকতে তথ্য প্ৰদান কৰি মোক বিশেষভাৱে সহায় কৰিছিল। তেখেতসকললৈও মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

উপাসা কটকী

উপাসা কটকী

Scanned by CamScanner

# অৱতৰণিকা

**বিষয়ৰ পৰিচয় ঃ**

'সত্ৰ' হৈছে অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত এক ধৰ্মীয় অনুষ্ঠান। ধৰ্মৰ চৰ্চাৰ উপৰিও সত্ৰসমূহ অসমীয়া সংস্কৃতি যেন - বৰগীত, সত্ৰীয়া নৃত্য, চালি নৃত্য, ঝুমুৰা নৃত্য, দশৱতাৰ নৃত্য আদিৰ লগতে পুৰণি পুথি-পাজি আৰু আন আন বুৰঞ্জীমূলক সমলৰ ভঁৰাল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰৰ আদি কালতে সত্ৰৰ উৎপত্তি হোৱা বুলি ধাৰণা কৰা হয়। শংকৰদেৱে তেওঁৰ জন্মস্থান বৰদোৱাত প্ৰথমখন সত্ৰ স্থাপন কৰে। প্ৰথমতে অসমত ৬৬৫ খন সত্ৰ আছিল যদিও এতিয়া তাৰ বেছিভাগৰে অস্তিত্ব নাই। এইসমূহৰ ভিতৰত ৬৫ খন সত্ৰ কেৱল মাজুলীতে স্থাপন কৰা হৈছিল যাৰ ভিতৰত বৰ্তমান ২২ খনহে আছে।

নিৰ্বাচিত বিষয়টো হৈছে 'কমলাবাৰী সত্ৰৰ ইতিবৃত্ত'। শ্ৰীশ্ৰী কমলাবাৰী সত্ৰ মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য বদলা পদ্ম আতাই মাজুলীত ১৫৯৫ শকৰ আঘোণ মাহৰ শুক্লা একাদশীৰ তিথিত প্ৰতিষ্ঠা কৰিছিল। কিন্তু ব্ৰহ্মপুত্ৰৰ প্ৰৱল গৰাখহনীয়াত বিধস্ত হৈ কমলাবাৰী সত্ৰখন স্থানান্তৰ হ'ব লগা হয়। যোৰহাটস্থিত তিতাবৰৰ মহিমাবাৰী অঞ্চললৈ। কমলাবাৰী সত্ৰখন চৰকাৰৰ অনুদানত তিতাবৰৰ মহিমাবাৰী অঞ্চলত ১৯৭৫ চনত শ্ৰীশ্ৰীভৱকান্তদেৱ গোস্বামী আৰু বহুকেইজন ভকত বৈষ্ণৱৰ প্ৰচেষ্টাত পুনৰ প্ৰতিষ্ঠা হয়। তেতিয়াৰে পৰা বৰ্তমানলৈকে শ্ৰীশ্ৰীভৱকান্তদেৱ গোস্বামীয়েই সত্ৰাধিকাৰ হিচাপে এই সত্ৰখন পৰিচালনা কৰি আহিছে। কমলাবাৰী সত্ৰখনে তিতাবৰৰ আধুনিকতাৰ পোহৰ নপৰা মহিমাবাৰী অঞ্চলৰ সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰতো বিশেষ অৰিহণা আগবঢ়াইছে।

**বিষয়ৰ পৰিসৰ ঃ**

নিৰ্বাচিত 'কমলাবাৰী সত্ৰৰ ইতিবৃত্ত' উক্ত বিষয়টোৰ সবিশেষ এই আলোচনাত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। এই গৱেষণাৰ পৰিসৰ বিস্তৃত ৰূপত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। অসমৰ সত্ৰ পৰম্পৰাৰ ইতিহাস, মাধৱদেৱৰ প্ৰিয় শিষ্য বদুলা পদ্ম আতাই মাজুলীত প্ৰতিস্থা কৰা কমলাবাৰী সত্ৰৰ ইতিহাস, কমলাবাৰী সত্ৰখনৰ ঐতিহ্য আৰু সত্ৰখন কেনেদৰে যোৰহাটস্থিত তিতাবৰলৈ স্থানান্তৰিত হৈছিল, তিতাবৰ সমাজ জীৱনলৈ কমলাবাৰী সত্ৰৰ সাংস্কৃতিক অৱদান আদিৰ সবিশেষ আলোচনা এই গৱেষণাত সন্নিবিষ্ট কৰা হৈছে। এই গৱেষণাৰ যোগেদি সমাজক এই সত্ৰখনৰ লগত পৰিচয় কৰাই দিয়াৰ প্ৰয়াস কৰা হৈছে।

**বিষয়ৰ গুৰুত্ব ঃ**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰচেষ্টাত গঢ় লৈ উঠা এক ধৰ্মীয় অনুষ্ঠানেই হৈছে 'সত্ৰ'। সত্ৰসমূহক কেন্দ্ৰ কৰিয়েই সাহিত্য, সংগীত আৰু বিভিন্ন শিল্পকলাৰ

Scanned by CamScanner

সৃষ্টি হৈছে। এই সত্ৰসমূহে অসমত ক'লা সংস্কৃতিৰ বিকাশৰ লগতে বৰগীত, সত্ৰীয়া নৃত্য আদিক বিশ্ব দৰবাৰত চিনাকি কৰাই দিবলৈ সক্ষম হৈছে। অসমৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ, গাঁৱৰ চুকে কোণে সত্ৰবোৰ স্থাপিত হৈ সমগ্ৰ অসমবাসীক এটা ধৰ্মৰ ডোলেৰে বান্ধি ঐক্য আৰু সংহতি প্ৰতিষ্ঠাত প্ৰভূত বৰঙণি যোগাই আহিছে। মানুহৰ শৰণ ভজনৰ দ্বাৰা আত্মবিশ্বাস আৰু আত্ম-উপলব্ধিৰ কৰ্ষণৰ বাবে অতীতৰে পৰা সত্ৰসমূহে অৱদান আগবঢ়াই আহিছে। এক কথাত ক'বলৈ গ'লে সত্ৰসমূহে সংস্কৃতিৰ বিকাশৰ লগতে মানুহৰ বৌদ্ধিক বিকাশতো যথেষ্ট অৰিহণা আগবঢ়াইছে। কোনো এখন সত্ৰক অধ্যয়ন কৰি গৱেষণা কৰাৰ জৰিয়তে সমাজক সেই সত্ৰখনৰ লগত চিনাকী কৰাই দিয়াই এই গৱেষণাৰ মূল উদ্দেশ্য। আমি নিৰ্বাচন কৰি লোৱা বিষয়টো হৈছে 'কমলাবাৰী সত্ৰৰ ইতিবৃত্ত'। এনেধৰণৰ গৱেষণাৰ অসমীয়া সাহিত্যত যথেষ্ট গুৰুত্ব আছে। কিয়নো অসমৰ এনে ধৰ্মীয় অনুষ্ঠানসমূহৰ ধৰ্মচৰ্চা আৰু সাংস্কৃতিক দিশসমূহৰ গৱেষণাই অসমীয়া সাহিত্যৰ সাংস্কৃতিক বিকাশত যথেষ্ট অৰিহণা আগবঢ়াব।

**বিষয় অধ্যয়ন পদ্ধতি ঃ**

এই গৱেষণা পত্ৰখন আলোচনা কৰোতে বৰ্ণনামূলক আৰু ক্ষেত্ৰভিত্তিক অধ্যয়ন পদ্ধতিৰ সহায় লোৱা হৈছে।

**পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

বাপচন্দ্ৰ মহন্তৰ 'মহাপুৰুষীয়া পৰম্পৰাত সত্ৰ আৰু সংগীত' নামৰ গ্ৰন্থত সত্ৰৰ ঐতিহাসিক স্বৰূপ, শংকৰদেৱৰ সত্ৰ ব্যৱস্থা, চৰিত পুথিৰ আধাৰত সত্ৰ ব্যৱস্থা আদিৰ লগতে সত্ৰৰ আৰু বহু দিশ আলোচনা কৰা হৈছে।

ডা০ তুলতুল বৰা (বৰুৱা)ৰ "ইতিহাসৰ জলঙাৰে শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ শত পল্লৱ" গ্ৰন্থত কমলাবাৰী সত্ৰৰ কিছু কথাৰ উল্লেখ পোৱা যায়।

পূৰ্বকৃত অধ্যয়নৰ পৰ্যালোচনাৰ পৰা দেখা গৈছে যে সামগ্ৰীকভাৱে অসমৰ সত্ৰসমূহৰ কিছু অধ্যয়ন কৰা বা আলোচনা কৰা হৈছে যদিও কমলাবাৰী সত্ৰৰ বিষয়ে বৰ্তমানলৈকে বিশেষ অধ্যয়ন হোৱা নাই। গতিকে, কমলাবাৰী সত্ৰৰ বিষয়ে সুকীয়াকৈ অধ্যয়ন কৰিবৰ বাবে "কমলাবাৰী সত্ৰৰ ইতিবৃত্ত" বিষয়টো গৱেষণা পত্ৰৰ বাবে বাছি লোৱা হৈছে।

Scanned by CamScanner

# প্রথম অধ্যায়

Scanned by CamScanner

## প্ৰথম অধ্যায়

### অসমৰ সত্ৰ সংস্কৃতি

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ অনন্য সৃষ্টি হৈছে 'সত্ৰ'। অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এই সত্ৰসমূহ স্থাপন কৰা হৈছিল। ইষ্ট দেৱতাক উপাসনা কৰা, ধৰ্মীয় তত্ত্ব চৰ্চা কৰাই সত্ৰৰ মূল লক্ষ্য। ধৰ্ম চৰ্চাৰ উপৰিও সত্ৰসমূহ মহাপুৰুষীয়া তথা অসমীয়া সংস্কৃতি যেনে- বৰগীত, সত্ৰীয়া নৃত্য, চালি নৃত্য, ঝুমুৰা নৃত্য, দশৱতাৰ নৃত্য আদিৰ লগতে পুৰণি পুথি পাজি আৰু আন আন বুৰঞ্জীমূলক সমলেৰে সমৃদ্ধ। প্ৰথমতে অসমত ৬৬৫ খন সত্ৰ প্ৰতিষ্ঠা কৰা হৈছিল যদিও তাৰ বেছিভাগৰে এতিয়া অস্তিত্ব নাই। সেইসমূহৰ ভিতৰত ৬৫ খন সত্ৰ কেৱল মাজুলীতে স্থাপন কৰা হৈছিল। যাৰ ভিতৰত বৰ্তমান ২২ খনহে আছেগে। জানিবলৈ পোৱা মতে 'সত্ৰ' শব্দটোৰ প্ৰয়োগ প্ৰথমে যজুৰ্বেদত হৈছিল। যজুৰ্বেদত পোৱা শতপথ ব্ৰাহ্মণৰ দ্বাদশ কাণ্ডত থকা দ্বাদশ সত্ৰৰ বৰ্ণনাই এই বিষয়ক প্ৰাচীন বৰ্ণনা। এই বৰ্ণনা আছিল যজ্ঞবিষয়ক সময়বাচক। যেনে - যি যজ্ঞ আৰম্ভৰ পৰা একেৰাহে চলি ১২ দিনত শেষ হয়, তাক ক্ৰতু বোলা হয়। ১২ দিনতকৈ বেছি দিন ছ-মাহ বা কেইবাবছৰো ধৰি চলি থকা যজ্ঞক সত্ৰ বোলা হয়।

'সত্ৰ' শব্দটো বিশ্লেষণ কৰিলে দেখা যায় যে শব্দটোৰ এক গভীৰ অৰ্থ আছে। যাক মধ্যযুগৰ পৰা বিভিন্নজনে বিভিন্ন অৰ্থত ব্যৱহাৰ কৰি আহিছে। সত্ৰ শব্দটো ভাঙিলে সৎ+ত্ৰ=সত্ৰ পোৱা যায়। 'সৎ' মানে ধাৰ্মিক লোক আৰু 'ত্ৰ' মানে ত্ৰাণ কৰা। অৰ্থাৎ সৎ লোকক ত্ৰাণ কৰোঁৱা বা পূণ্য ধামলৈ গতি কৰা। এই সত্ৰ শব্দটোক বিভিন্ন গ্ৰন্থত বিভিন্নজনে যজ্ঞ, ধৰ্মস্থান, দাতব্য, যোগ, সদাব্ৰত, ভোজনালয়, গৃহ, অৰণ্য আদি অৰ্থতো ব্যৱহাৰ কৰা দেখা যায়।

সত্ৰ শব্দটো মূলতে এটা সংস্কৃত শব্দ, যাৰ অৰ্থ 'দীঘলীয়া যজ্ঞ'', বৈদিক সাহিত্যত আমি তিনিধৰণৰ যজ্ঞ পাওঁ একাহ, অহীন আৰু সত্ৰ যজ্ঞ। এদিনত সম্পন্ন হোৱা যজ্ঞক একাহ, এদিনতকৈ বেছি কিন্তু বাৰদিনতকৈ কম দিনত সম্পন্ন হোৱা যজ্ঞক অহীন আনহাতে বাৰদিনতকৈ অধিক কাল অনুষ্ঠিত হোৱা যজ্ঞক সত্ৰ যজ্ঞ বোলা হয়। বৈদিক সাহিত্যৰ পৰা অসমীয়ালৈ অহাৰ কাৰণ ব্যাখ্যা কৰি সতেন্দ্ৰনাথ শৰ্মাই ভাগৱত পুৰাণৰ প্ৰসংগ টানি আনি কৈছে যে নৈমিষাৰণ্যত সৌনক আদি মুনিসকলে সহস্ৰকাল ব্যাপী সত্ৰানুষ্ঠান কৰোঁতে ঋষিসকলে উগ্ৰশ্ৰবা সুতক ভাগৱত ব্যাখ্যা কৰিবলৈ অনুৰোধ জনায়। ঋষি সকলৰ অনুৰোধ মৰ্মে সুতে ভাগৱতৰ ব্যাখ্যা শুনায়। সত্ৰক উপলক্ষ কৰি ভাগৱত চৰ্চা হোৱা বাবে অসমীয়া বৈষ্ণৱসকলে নৈমিষা সত্ৰৰ লাক্ষণিক অৰ্থকে প্ৰধানভাৱে গ্ৰহণ কৰি বৈষ্ণৱ ভক্তিৰ কেন্দ্ৰ আৰু ভকতসকলৰ সংযোগস্থল অৰ্থত 'সত্ৰ' শব্দটো ব্যৱহাৰ কৰিবলৈ ধৰে।

নাৰায়ণ চন্দ্ৰ গোস্বামীৰ 'সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা' শীৰ্ষক গ্ৰন্থত 'সত্ৰ' শব্দটো 'যজ্ঞভূমি' ৰূপে ব্যৱহাৰ কৰিছে। যজ্ঞভূমি মানে পবিত্ৰ ভূমি। এই শব্দ প্ৰথমে 'শতপথ ব্ৰাহ্মণ'ত 'আহুতি'

Scanned by CamScanner

বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। ইয়াত সত্ৰৰ সংজ্ঞা এনেদৰে দিছে- "য'ত ঈশ কথা ভক্তৰ মুখত প্ৰকাশ পায়, য'ত অবিৰাম ভক্তৰ সমাৱেশ হৈ যৎ সংলাপ কৰোঁতে নিজান্দ সুখ পৰিপূৰ্ণ বৈকুণ্ঠ পৰি হৰি ভগৱন্তে তন্ময় ৰিতম্ত ভক্তৰ আকুল আহ্বানত তেৰাসৱৰ নিকটস্থ হৈ আত্মবিস্মৃত হয়, সেই ভক্ত ভগৱন্তৰ ৰাজপুত স্থানেই হ'ল সত্ৰ / থান।" শংকৰদেৱে কৰা ভাগৱতৰ দ্বাদশ স্কন্ধৰ অনুবাদত 'সত্ৰ' শব্দটো ঋষিসকলে কৰা যজ্ঞাদি কৰ্মৰ অৰ্থত ব্যৱহাৰ কৰা হৈছে। সত্ৰ অনুষ্ঠানৰ মূল স্বৰূপ নিৰ্ণয় কৰি সত্ৰ শব্দৰ পূৰ্ণ ব্যাখ্যা ভট্টদেৱৰ 'শৰণ মালিকা'ত উল্লেক কৰিছে। সত্ৰ শব্দটো মহাপুৰুষ শংকৰদেৱে প্ৰথম ভাগৱত অনুবাদত প্ৰয়োগ কৰিছে। গুৰুজনাই মূল ভাগৱতৰ আৰ্হিত সত্ৰৰ ধাৰণা আৰু তাত্বিক ৰূপটো প্ৰতিষ্ঠা কৰি থৈ গৈছে যদিও তেওঁ নিজে উপাসনা কৰা অনুষ্ঠানবোৰক বুজাবলৈ 'সত্ৰ' শব্দটো ব্যৱহাৰ কৰা নাছিল। তেওঁ সেই অনুষ্ঠানবোৰক 'দেৱগৃহ' বা 'হৰিগৃহ' বুলিছিল। শংকৰোত্তৰ কালৰ চৰিতকাৰ সকলেহে সত্ৰ গৃহ নাম দিছিল। তাৰ ভিতৰত দ্বিজ ভূষণ, ৰামচৰণ আদি উল্লেখযোগ্য।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম প্ৰচাৰৰ আদিকালতে সত্ৰৰ উৎপত্তি হোৱা বুলি ধাৰণা কৰা হয়। শংকৰদেৱে তেওঁৰ জন্মস্থান বৰদোৱাত প্ৰথমখন সত্ৰ স্থাপন কৰিছিল। তাত তেওঁ এটা প্ৰাৰ্থনা ঘৰ সজায় য'ত নাম কীৰ্ত্তনৰ লগতে ধৰ্মীয় আলোচনাও হৈছিল। নতুনকৈ ধৰ্ম প্ৰচাৰ কৰা ঠাইত তেওঁ 'প্ৰাৰ্থনা ঘৰ' স্থাপন কৰিছিল যি পিছলৈ সাংস্কৃতিক কেন্দ্ৰৰ ৰূপ লয়। ইয়াক 'থান' বুলি কোৱা হৈছিল। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ধৰ্ম প্ৰচাৰৰ বাবে যাত্ৰা কৰোঁতে তেওঁ ঠায়ে ঠায়ে থান স্থাপন কৰিছিল। বৰদোৱাৰ পিছত শংকৰদেৱে আহোম ৰজাৰ ৰোষত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ আহি ধুৱাহাট বেলগুৰিত সত্ৰ প্ৰতিষ্ঠা কৰে বুলি চৰিত পুথিত উল্লেখ আছে। তাৰ পিছত দক্ষিণ পাৰত ক্ষেত্ৰী, কাপালত, চুণপোৰা, পালেদি কুমাৰকুছি আদি ঠাইলৈ গৈ সত্ৰ প্ৰতিষ্ঠা কৰে। ইয়াৰ পিছতে সমসাময়িক ভাৱে শংকৰদেৱে পাটবাউসীত, হৰিদেৱে মানৰিত, দামোদৰদেৱে বৈকুণ্ঠপুৰত আৰু মাধৱদেৱে সুন্দৰীদিয়া, গণককুছি আৰু বৰপেটাত সত্ৰ প্ৰতিষ্ঠা কৰে। শংকৰদেৱে দিয়া দায়িত্বপালন কৰি গোপালদেৱে পৰৱৰ্ত্তীকালত উজনি অসমৰ দেবেৰাপাৰত প্ৰথমখন সত্ৰ প্ৰতিষ্ঠা কৰে। শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱে বৰপেটাত স্থাপন কৰা থানখনেই আছিল সৰ্ববৃহৎ। মাধৱদেৱে এক শৰণ নাম ধৰ্ম প্ৰচাৰৰ দায়িত্ব ন্যস্ত কৰা বাৰজন মুখ্য শিষ্যইও অসমত ভিন ভিন ঠাইত থান স্থাপন কৰে। এই থান সমূহেই কালক্ৰমত বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰ 'সত্ৰ' নামেৰে জনাজাত হয়।

সত্ৰ প্ৰতিষ্ঠা হোৱাৰ কম সময়ৰ ভিতৰতে সত্ৰ সমূহ ধৰ্ম প্ৰচাৰৰ উপৰিও সাহিত্য, সংগীত, নৃত্য, নাট, স্থাপত্য ভাস্কৰ্য্য আদি কলাসমূহৰ চৰ্চা আৰু অনুশীলনৰ কেন্দ্ৰৰূপে পৰিগণিত হৈ উঠে। তদুপৰি নামঘৰ, মণিকূট, গুৰুগৃহ, ভকতৰ হাটী, ভঁৰাল ঘৰ, অতিথিশালা, কৰাপাট আদি নিৰ্মাণেৰে সত্ৰৰ পৰিসৰ বৃদ্ধি কৰা হ'ল। এনেদৰে পূৰ্ণ পৰ্য্যায়ৰ সত্ৰ স্থাপনত অগ্ৰণী ভূমিকা পালন কৰিছিল মাধৱদেৱ আৰু দামোদৰদেৱে।

Scanned by CamScanner

**সত্ৰৰ ঐতিহাসিক স্বৰূপ ঃ**

জানিবলৈ পোৱা মতে সত্ৰ শব্দটোৰ বৰ্ণনা যজুবেদৰ শতপথ ব্ৰাহ্মণৰ দ্বাদশ কাণ্ডত পোৱা দ্বাদশ সত্ৰৰ বৰ্ণনেই সত্ৰ বিষয়ক প্ৰাচীন বৰ্ণনা। এই বৰ্ণনা আছিল যজ্ঞবিষয়ক। যি যজ্ঞ আৰম্ভৰ পৰা একেৰাহে চলি ১২ দিনত শেষ হয় তাক ক্ৰতু বোলে। ১২ দিনতকৈ অধিক দিন বা ছ-মাহ, কেইবাবছৰো ধৰি চলি থকা যজ্ঞক সত্ৰ বোলা হয়। শতপথ ব্ৰাহ্মণতে পঞ্চৰাত্ৰসত্ৰৰো বৰ্ণনা আছে। মহাভাৰত শান্তিপৰ্বৰ নাৰায়ণীয় উপাখ্যানৰ অধ্যায়সমূহত পাঞ্চৰাত্ৰীয় সাধনমাৰ্গৰ বিবৰণ বিস্তৃত ৰূপত পোৱা যায়। তাত নাৰায়ণ ঋষিৰ মহত্ত্বৰ লগতে পাঞ্চৰাত্ৰ বা ভাগৱত ধৰ্মৰ সাধন মাৰ্গৰ উৎপত্তি, ব্যৱস্থা আৰু প্ৰচাৰ সম্বন্ধেও বিস্তৃত বিৱৰণ দিয়া হৈছে।

১২ দিনতকৈ বেছিদিন চলা যজ্ঞ ব্যৱস্থাটোকহে শতপথ ব্ৰাহ্মণত সত্ৰ বোলা হয় যদিও, নাৰায়ণ ঋষি পাঁচদিন পাঁচৰাতিৰ সময় সীমাৰ ভিতৰতে অনুষ্ঠিত নাৰায়ণ ঋষিৰ যজ্ঞটোক সত্ৰ বোলা হৈছিল। এই কথাই এটা নতুন ধৰণৰ যজ্ঞ পৰম্পৰাৰ অস্তিত্বৰ ইংগিত দিয়ে। এই শ্ৰেণীৰ যজ্ঞ আগৰ পৰা চলি অহা দ্ৰব্যময় যজ্ঞ নাছিল। জ্ঞানময় যজ্ঞহে আছিল। এই যজ্ঞৰ ফলস্বৰূপে নাৰায়ণ ঋষিয়ে প্ৰাণীসমূহৰ পাৰ্থৰসম্পদৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ বিচৰা নাছিল, আধ্যাত্মিক আধিপত্যহে স্থাপন কৰিছিল। পঞ্চৰাত্ৰসত্ৰই আৰম্ভ কৰা এই নতুন যজ্ঞ ব্যৱস্থাটোৱে ধৰ্ম ৰূপত এটা নতুন পৰম্পৰা সৃষ্টি কৰিলে। মহাভাৰত আৰু ভাগৱত মহাপুৰাণৰ প্ৰচাৰো এনেধৰণৰ সত্ৰ পৰম্পৰাৰ যোগেদিয়েই হৈছিল। ১৬ শতিকাৰ শংকৰদেৱে ব্ৰহ্মপুত্ৰ উপত্যকাত ভাগৱতমহাপুৰাণ ভিত্তিত যি ভাগৱত ধৰ্ম প্ৰচাৰ কৰিলে, সেই ধৰ্মৰ পূৰ্ণাংগ স্বৰূপ তথা ঐতিহাসিক বিকাশ সম্বন্ধে জানিবলৈ হ'লে মহাভাৰত শান্তিপৰ্বত বৰ্ণিত পঞ্চৰাত্ৰ ধৰ্মৰ বিষয়ে জানিব লাগিব। কিন্তু সত্ৰ ব্যৱস্থা আৰু তত্ত্বজ্ঞানৰ প্ৰৱচন পৰম্পৰাৰ লগত সত্ৰৰ ঐতিহাসিক সম্পৰ্কটোহে এই আলোচনাৰ মূল বিষয়।

ভাগৱতপুৰাণৰ প্ৰাচীন ৰূপটোৰ ৰচনাকাৰ ব্যাস ঋষিকো পাঞ্চৰাত্ৰ বা ভাগৱতধৰ্মৰ তত্ত্বজ্ঞান নাৰদ ঋষিয়েহে দিছিল। সংগীতৰ গুৰুত্ব অতি প্ৰাচীন কালৰ পৰাই পঞ্চৰাত্ৰ ধৰ্মত দেখিবলৈ পোৱা যায়। গতিকে কেৱল নাৰদীয় পৰম্পৰাৰ পঞ্চৰাত্ৰ সাধনমাৰ্গতহে সংগীতে গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছিল বুলি ধৰিব নোৱাৰি।

২

**চৰিত পুথিৰ আধাৰত সত্ৰ ব্যৱস্থাৰ পৰম্পৰা ঃ**

গুৰুচৰিত পুথিসমূহত গুৰুজনাৰ জন্মৰ পৰা মৃত্যুলৈকে সকলো কথাৰ পূৰ্ণাংগ বিবৰণ পোৱা নাযায়। বিশেষ সমস্যাৰ প্ৰসংগতহে গুৰু-শিষ্য উভয়ৰে ব্যক্তিগত জীৱনৰ কিছু কথা উল্লেখ কৰা দেখা যায়। সেই বিশেষ সমস্যাসমূহ ব্যক্তিগত সামাজিক, পাৰিবাৰিক আৰু ৰাজনৈতিক অনেক স্তৰৰ হ'ব পাৰে। মাধৱদেৱৰ জীৱনৰ ক্ষেত্ৰতহে এই সমস্যাৰ সজীৱ চিত্ৰ দৈত্যাৰি ঠাকুৰে শংকৰ-মাধৱৰ চৰিতত অংকিত হোৱা দেখা গৈছে। মহাপুৰুষ শংকৰদেৱৰ মৃত্যুৰ পাছত তেওঁৰ পৰিয়ালৰ পাৰিবাৰিক আৰু সামাজিক সংকটৰ কাহিনী কথা গুৰুচৰিত কিছু পোৱা যায়। তদুপৰি চৰিতকাৰ সকলে সংগ্ৰহ কৰা তথ্যসমূহ চৰিত পুথি ভেদে কিছু

Scanned by CamScanner

পৃথক ৰূপত পোৱা যায়। নাইবা কোনো পুথিত কোনো একোটা কথা বাদ পৰিল বা ক'ৰবাত এটা কথা নতুনকৈ সোমাল। এনেধৰণৰ বহু কথা চৰিত পুথিত নাই। কিন্তু সত্ৰিয়া সমাজত প্ৰচলিত হৈ আছে। দ্বিজভূষণৰ চৰিতত থকা সত্ৰগৃহ সজা সমন্ধীয় কথা প্ৰমাণিত আৰু গ্ৰহণযোগ্য।

শংকৰদেৱৰ মৃত্যুৰ পাছতহে মাদৱদেৱৰ নামঘোযাৰ বৰ্তমান ৰূপটো সম্পূৰ্ণ হৈছিল। ত্ৰিহুতীয়া ব্ৰাহ্মণ শংকৰদেৱৰ ওচৰলৈ মাধৱদেৱতকৈ আগতে আহিছিল। তেতিয়া নামঘোষা নাছিল। শংকৰদেৱৰ গীত আৰু কীৰ্তনৰ পদহে নাম প্ৰসংগত গোৱা হৈছিল। পদত উল্লেখিত মহানাট আৰম্ভিলা অংশটোৰ বৰ্ণনা দিয়া নাই যদিও ভক্তসকলে কৰা গায়ন-বায়ন গীত আৰু কীৰ্তনৰ বৰ্ণনাৰ পৰা বুজা যায় যে এই সত্ৰ গৃহত ভাগৱত চৰ্চাৰ লগতে ধৰ্মতত্ত্বৰ প্ৰৱচন আৰু সাধন মাৰ্গৰ শ্ৰৱণ-কীৰ্তন ব্যৱস্থাসহ প্ৰাচীন পৰম্পৰাৰ সত্ৰৰ ব্যৱহাৰিকততা বিকশিত ৰূপটো শংকৰদেৱৰ বৰদোৱাত থকা কালতে প্ৰকট হৈ উঠিছিল।

Scanned by CamScanner

# দ্বিতীয় অধ্যায়

Scanned by CamScanner

# দ্বিতীয় অধ্যায়

**কমলাবাৰী সত্ৰৰ ইতিহাস ঃ**

মহাপুৰুষ, মাধৱদেৱৰ নুমলীয়া শিষ্য বদলাআতা বা বদলাপদ্ম আতাই জীৱনৰ ভাটী বয়সত সত্ৰ নগৰী মাজুলীত স্থাপন কৰা সত্ৰখনেই আছিল কমলাবাৰী সত্ৰ। এইখনেই আছিল বদলা আতাই প্ৰতিষ্ঠা কৰা অন্তিমখন সত্ৰ। আহোম ৰজা ৰামধ্বজ সিংহৰ ৰাজত্ব কালত ৰজাই আতাসকলক হৰিনাম গাবলৈ নিৰ্ভয় প্ৰদান কৰিছিল। ভকতসকলে মুদৈ ভেটিত সত্ৰ পতাৰ চিন্তা পৰিহাৰ কৰাত হৰিচৰণ আতৈয়ে ভাল ঠাই বিচাৰি এখনি সত্ৰ প্ৰতিষ্ঠা কৰাৰ আগ্ৰহ প্ৰকাশ কৰিলে। বদলাআতাই হৰিচৰণ আতৈক সত্ৰ প্ৰতিষ্ঠাৰ বাবে অকণমান মাটি বিচাৰি পুৰুষোত্তম বৰুৱাৰ ওচৰলৈ পঠালে। পুৰুষোত্তম বৰুৱাই হৰিচৰণ আতৈৰ কথা শুনি পৰম আনন্দ পালে। হৰিচৰণ আতৈয়ে আনন্দ মনেৰে আতাৰ আগত পুৰুষোত্তম বৰুৱাৰ মাটিৰ বৃত্তান্ত দাঙি ধৰিলে। পিছদিনাই আতাই ভকতসকলৰ সৈতে পুৰুষোত্তম বৰুৱাৰ কঠিয়াতলী আৰু কাষতে থকা কমলা টেঙাৰ বাৰী দৰ্শন কৰি পৰম আনন্দ লভিলে। ৰাজবিষয়া পুৰুষোত্তম বৰুৱাৰ কঠিয়াতলিত চাৰিওফালে চাৰিহাটীৰে আবৃত্ত কীৰ্ত্তন ঘৰ, আতাৰ গৃহ, কাষত পুখুৰীসহ সত্ৰ নিৰ্মাণ সম্পূৰ্ণ হ'ল। ১৫৯৫ শক (১৬৭৩ চন) আঘোণ মাহৰ শুক্লা একাদশী তিথিত বদলাআতাই জীৱনৰ বিয়লি বেলাত মাজুলীত আতাৰ নুমলীয়া থান কমলাবাৰী সত্ৰখন প্ৰতিষ্ঠা কৰিলে।

মধ্যযুগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৰদোৱাৰ প্ৰৱিত্ৰ ভূমিত প্ৰথমখন থান (সত্ৰ) স্থাপন কৰি ভাগৱত পুৰাণৰ আধাৰত অসমৰ সমাজ জীৱনলৈ ভাগৱৎ ভক্তিৰ মাজেৰে নৈতিক আধ্যাত্মিক জ্ঞানৰ সোঁত বোৱাই আনিলে। তাৰ মাজেৰে জনসাধাৰণে আহৰণ কৰিলে পৰিমাৰ্জ্জিত ব্যৱহাৰ,উন্নত জীৱন ধাৰণৰ কলা, সু প্ৰকৃতিৰ কৰ্ষণেৰে কু-প্ৰবৃত্তিক দমন কৰাৰ শিক্ষা, পৰিষ্কাৰ পৰিচ্ছন্নতাৰে স্বাস্থ্য ৰক্ষা, শ্ৰৱণ কীৰ্ত্তনৰ মাজেৰে শান্তি লাভৰ আধ্যাত্মিক অনুভৱ আৰু তাৰ সমান্তৰালভাৱে সাহিত্য সংস্কৃতিৰ চৰ্চা আৰম্ভ হ'ল। মাজুলীৰ পৰিত্ৰস্থানত মহাপুৰুষ শংকৰদেৱৰ মিলন ঘটিল মহাপুৰুষ মাধৱদেৱৰ লগত। দুয়ো মিলি আধ্যাত্মিক অনুভূতিৰ মাধ্যমেৰে কৃষ্টি, সংস্কৃতি, জ্ঞান-বিজ্ঞানৰ চৰ্চা আৰু প্ৰচাৰেৰে অসমৰ জনসাধাৰণক বহুদূৰ আগুৱাই নিলে। মহাপুৰুষ মাধৱদেৱক ধৰ্ম্মাধিকাৰ পাতি মহাপুৰুষ শংকৰদেৱে ১৪৯০ শক (১৫৬৮ খ্ৰীঃ) ভাদ মাহৰ সাত তাৰিখ শুক্লা দ্বিতীয়া তিথিত ভেলাৰ কাকতকুটাত জীৱন নাটৰ সামৰণি মাৰিলে। আধ্যাত্মিক চৰ্চা আৰু কৃষ্টি-সংস্কৃতিৰ বাৰ্দ্ধক্য কালত মাধৱদেৱে শংকৰদেৱৰ দৰে কামৰূপ এৰি বেহাৰলৈ যোৱাৰ মনস্থ কৰিলে। সেয়ে মথুৰাদাস বুঢ়াআতাৰ হাতত বৰপেটা সত্ৰৰ ভাৰ দি সকলোৰে পৰা বিদায় লৈ মধুপুৰ সত্ৰ পালেগৈ। ভাটৌকুছিৰ কেশৱচৰণ আতাৰ হতুৱাই বদলাপদ্ম আতাক মতাই নি ভক্তি, তাল, মালা, দশম কীৰ্ত্তন, নামঘোষা, ৰত্নাৱলী এই চাৰি সাস্ত্ৰ আৰু নামমালিকা অৰ্পণ কৰি 'বৰ নদীৰ পৰা ব্ৰহ্মকুণ্ডলৈ মোৰ গাৰ

Scanned by CamScanner

বদল হৈ তুমি উজনিলৈ গৈ গুৰি ধৰাগৈ' বুলি ধৰ্মৰ ভাৰ অৰ্পণ কৰিলে। তেতিয়াৰে পৰা কমলাবাৰী সত্ৰৰ প্ৰতিষ্ঠাপক পদ্মআতাক বদলা আতা নামেৰে জনাজাত হয়। উজনি অসমত একুৰি নখন থানত আধ্যাত্মিক চৰ্চা কৰি শেষত কমলাবাৰী সত্ৰ প্ৰতিষ্ঠা কৰিলে।

এই কমলাবাৰী সত্ৰৰ নামকৰণৰ নেপথ্যত ভালেখিনি কাহিনী পোৱা যায়। সত্ৰত সংৰক্ষিত চৰিত পুথি সমূহেও ভালেখিনি তথ্য বহন কৰে। বদলা আতাৰ আন এটা নাম কমলাকান্ত। তেওঁ প্ৰতিষ্ঠা কৰা কাৰণে কমলাবাৰী হ'ল এচামে কয়। বৰ চৰিতৰ মতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে মাজুলীৰ ধুৱাহাটা বেলগুৰিত ধৰ্ম চৰ্চ্চা কৰি থকা সময়ত ৰতনপুৰত থকা ভূঞাসকলক দেখা কৰিবলৈ বুলি আহিন মাহত ব্ৰহ্মপুত্ৰইদি উজাই টুনী নদীৰে সোমাই গৈছিল। কিছুদুৰ অতিক্ৰম কৰাৰ পাছত নদীত উটি অহা বিশাল বৃক্ষই জলপথ আৱদ্ধ কৰি থোৱাৰ বাবেই কমলামুদৈৰ কমলপুষ্প শোভিত পুখুৰীৰ পাৰত ৰ'ব লগা হ'ল। কমলা মুদৈয়েও গুৰু দুজনাৰ দৰ্শন পাই ভক্তসকলৰ সৈতে অতি আনন্দেৰে বাসগৃহ সাজি থকাৰ ব্যৱস্থা কৰিলে। সাত দিন ধৰি জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে নৃত্য চৰ্চিত ৰাইজে যোগদান কৰি আকৰ্ষিত হ'ল আৰু ন জন ভক্তই গুৰু ধৰ্ম্ম লাভ কৰিলে। সেয়ে ঠাইখনৰ নাম কমলাবাৰী। আৰু এই স্থানতে স্থাপন হোৱাৰ বাবে সত্ৰখনিৰ নাম কমলাবাৰী সত্ৰ। পুৰুষোত্তম বৰুৱাই সত্ৰ প্ৰতিষ্ঠাৰ বাবে আগবঢ়োৱা কঠিয়াতলিৰ মাটিত পূৰ্বতে কমলাটেঙাৰ বাৰী আছিল, সেয়ে সত্ৰখনিৰ নাম কমলাবাৰী হ'ল বুলিও কোৱা হয়।

চাৰিহাটীৰ আৰেষ্টনীৰ মাজত বদলাআতাৰ প্ৰতিষ্ঠিত কমলাবাৰী সত্ৰৰ প্ৰতিষ্ঠা হোৱা আঢ়ৈ বছৰ হৈছে মাত্ৰ। লাহে লাহে আতাৰ শৰীৰ অসুস্থ হৈ আহিছে। পৰৱৰ্ত্তী উত্তৰাধিকাৰী হিচাপে আতাই হৰিআতৈৰ নাম ঠিৰাং কৰিছিল। কিন্তু অকালতে হৰিআতৈৰ মৃত্যুৱে ভকতসকলক বিষাদগ্ৰস্ত কৰি তুলিলে। ক্ৰমশঃ আতাৰ দেহা দুৰ্ব্বল হৈ আহিল। আতাৰ অন্তিম সময় সমাগত হোৱাৰ উমান পাই ভকতসকলে আতাৰ ভতিজা কৰুণাময়ৰ নাম উত্তৰাধিকাৰী হিচাপে উল্লেখ কৰিলে। কিন্তু আতাই প্ৰথম গুৰুদৰ্শন হোৱা কালত একমাত্ৰ বৌমাতৃৰ বাহিৰে সংসাৰত কোনো নাই বুলি কোৱা কথাৰ উলঙঘন নকৰি এজনৰ পৰিৱৰ্তে সমূহ ভকতক চাৰি শাস্ত্ৰ আৰু ধৰ্মৰ ভাৰ অৰ্পণ কৰিলে। ভকত সকলে হৰিচৰণ আতৈৰ ভাতৃ শ্ৰীৰামআতাক পৰৱৰ্তী সতৰীয়াৰ দায়িত্ব অৰ্পণ কৰিলে। ১৫৯৮ শক (১৬৭৬ চন) পৱিত্ৰ ভাদ্ৰ মাহৰ শুক্লা একাদশী তিথি। কমলাবাৰী সত্ৰৰ কীৰ্ত্তন ঘৰত পুৱাৰ প্ৰসঙ্গৰ অন্তত ভকতসকলে খোল-তালৰ সঙ্গে 'গোৱিন্দ চিন্তহু বাল গোপালং' গীতটি গাই আছিল। আতাই নিজৰ বহাত মালা জপ কৰি আছিল। হঠাৎ আতা গোবিন্দআতৈৰ গাত ঢলি পৰিল। ভকতসকলে কীৰ্ত্তন এৰি আতাৰ কাষ পালেহি। সকলোকে কাষত দেখা পাই আতাই ক'লে - "তোম্ৰাসবে কীৰ্ত্তন এৰি কিয় অহা গ'ল? পুনৰাই যোৱাজক, মোৰ অতি প্ৰাণৰ 'জয়জয় নন্দ' গীতফাঁকি গোৱাজক।" ক্ষন্তেক পাছতেই 'ৰামকৃষ্ণ' উচ্চাৰণ কৰি বদলা আতাই এশ ত্ৰিশ বছৰ বয়সত জীৱনৰ পৰা মেলানি মাগিলে। তিনিওজনা গুৰুৰ তিৰোভাৱ ঘটা আৰু কৃষ্ণ জন্মাষ্টমীৰ মাহ হিচাবে ভাদ্ৰ মাহক অসমীয়া সমাজত পৱিত্ৰ মাহ হিচাপে মান্য কৰি মাহজুৰি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ হৰিনামৰ ঢৌ বিয়পাই তোলে।

Scanned by CamScanner

বদলাআতাৰ মৃত্যুৰ পিছত শ্ৰীৰামআতাক সতৰীয়াৰ দায়িত্ব দিয়া হ'ল। দীননাথ বেজবৰুৱাৰ ৰচিত 'বৰ চৰিত' গ্ৰন্থত উল্লেখ অনুসৰি শ্ৰীৰাম সতৰীয়াৰ কালত আহোম ৰজা জয়ধ্বজ সিংহই বৈকুণ্ঠনাথ, মদনমোহন, কলীয়াঠাকুৰ, বৃন্দাৱনচন্দ্ৰ আৰু বংশীবাদন এই পাঁচজনৰ নামত বাইশ হাজাৰ পুৰা মাটি কমলাবাৰী সত্ৰলৈ দান কৰে। পৰ্যায়ক্ৰমে পৰৱৰ্তী সতৰীয়াসকলে নানান সংকট অতিক্ৰম কৰি বৰ্তমান সত্ৰখনে চাৰি ভাগত বিভক্ত হৈ শংকৰ-মাধৱৰ সংস্কৃতিক জীৱন্ত কৰি ৰাখিছে। বৰ্তমান কমলাবাৰী সত্ৰখন মূল কমলাবাৰী সত্ৰ, উত্তৰ কমলাবাৰী সত্ৰ, নতুন কমলাবাৰী সত্ৰ আৰু মধ্য মাজুলী কমলাবাৰী সত্ৰ এই চাৰিটা ভাগত বিভক্ত হ'ল।

দ্বাদশজন সতৰীয়া অনন্তদেৱ সহজানন্দ দেৱ গুৰুৰ কালত এচাম ভকতে চিন্তা কৰিলে বৰদোৱা থানৰ শংকৰদেৱৰ নাতিসকলে কৰা পিণ্ড কৰ্ম্মাদি পালন কৰাৰ দৰে কমলাবাৰী সত্ৰৰ প্ৰতিষ্ঠাতা বদলাআতাৰ পিণ্ডাদি কৰ্ম্ম মাহেকীয়া কৰ্মৰ পিচৰে পৰা বন্ধ হৈ আছে। সেয়েহে দিখৌমুখত থকা বদলাআতাৰ জ্যেষ্ঠ ভাতৃ শংকৰদাসৰ নাতিৰ নাতিক অনোৱাই পুনৰ পিণ্ড কৰ্মৰ প্ৰচলন কৰিব লাগে। ৰজাৰ সন্মতি সাপেক্ষে দিখৌমুখৰ পৰা শংকৰদাসআতাৰ নাতিৰ নাতি সত্যবৰদেৱক সত্ৰলৈ আনি কলা-সংস্কৃতিৰ সকলো শিক্ষাৰে নিপুন কৰি তুলিলে। সহজানন্দ সতৰীয়াৰ পৰলোক হোৱাত ভূষণদেৱ সতৰীয়াৰ কালত আহোম ৰজা লক্ষ্মীসিংহই কমলাবাৰী সত্ৰলৈ বৈকুণ্ঠনাথ, লক্ষ্মীনাথ, বৃন্দাবনচন্দ্ৰ আৰু মদনমোহন এই চাৰিমূৰ্ত্তিৰ নামত দিয়া দেৱোত্তৰ ভূমিৰ প্ৰমাণসহ তামৰ ফলি মূল কমলাবাৰী সত্ৰত সংৰক্ষিত হৈ আছে।

ভূষণদেৱ অধিকাৰ হৈ থকা কালত মানে অসম আক্ৰমণ কৰিছিল। মানৰ অত্যাচাৰৰ বাবে ভকতসকলে সত্ৰৰ মূল্যৱান সম্পদ লগত লৈ অৰণ্যত আত্মগোপন কৰিব লগা হৈছিল। সত্ৰৰ মূল্যবান সম্পদসমূহ লগত লৈ গৈছিল যদিও বহুত সম্পদ হানিও হৈছিল। অৱশেষত ভকতসকলে উপায় বিহীন হৈ মানৰ ওচৰত আত্মসমৰ্পন কৰিব লগা হয়। মানে তেওঁলোকক অপকাৰ নকৰিলে যদিও বহুতো ধন-সোণ দিব লগা হ'ল। সমূহ ভকতে আলোচনা কৰি মানক তিনিশ টকা দিয়াৰ সিদ্ধান্ত কৰিলে। ভূষণদেৱৰ হাতত মাত্ৰ এশ টকাহে আছিল। ভকতসকলৰ অনুৰোধত কৃষ্ণকান্ত মহন্তদেৱ আৰু সত্ৰৰ ঘাই পূজাৰী আৰু দেউৰীৰ দায়িত্বত থকা জগন্নাথ বাপুৱে এশ টকাকৈ উলিয়াই দিয়াত মানহঁতলৈ আগবঢ়াই দিয়ে। মানে সত্ৰ এৰি গ'ল যদিও আনফালৰ অচিনাকি মানে আক্ৰমণ কৰিব নোৱাৰাকৈ চাৰিহাটীৰ চাৰি চুকত চাৰিজন মান ৰখীয়া থৈ গ'ল। মানসকলে সত্ৰলৈ দি থৈ যোৱা ষাঠি এতিয়াও মূল কমলাবাৰী সত্ৰত সংৰক্ষণ কৰি ৰখা হৈছে।

মানৰ আক্ৰমণৰ পাছতেই অধিকাৰ ভূষণদেৱে জীৱিত কালতেই শম্ভুনাথ দেৱক অধিকাৰৰ নিৰ্মালি প্ৰদান কৰিলে। তাৰ পাছতেই সত্ৰত বিভ্ৰাটৰ সৃষ্টি হ'ল। মানৰ আক্ৰমণত এশ টকা দিয়াৰ বাবে কৃষ্ণকান্তদেৱে অধিকাৰৰ আসন দাবী কৰিলে। সেই যুক্তিতেই জগন্নাথ বাপুও অধিকাৰৰ আসনৰ দাবিদাৰ হ'ল। সেয়ে তিনিওজনকে অধিকাৰৰ আসন দি পৰ্যায়ক্ৰমে এদিন এদিনকৈ অধিকাৰৰ গাদীত বহিবলৈ সন্মতি জনালে। সম্ভুনাথদেৱ আৰু জগন্নাথ বাপুক সত্ৰৰ অংশীদাৰ কৰি দিয়া হৈছিল যদিও দিন যোৱাৰ লগে লগে খামখেয়ালি বাঢ়িল। ৰজা পুৰন্দৰ সিংহৰ ওপৰত আপত্তি দিয়াত বিচাৰ চলিল। বিচাৰত ১৮২৬ চনত ২৪ জুলাই, ১০

Scanned by CamScanner

শাওন তাৰিখৰ ৰায়দান অনুসৰি শম্ভুনাথ দেৱক অধিকাৰৰ আসন দিয়া হ'ল। কৃষ্ণকান্ত দেৱক চৰ্দাৰি অধিকাৰ পতা হ'ল. সেই বিচাৰত অসন্তুষ্ট হৈ কৃষ্ণকান্তদেৱে পুনৰ গোচৰ তৰিলে ইংৰাজ আদালতত। বিচাৰত কৃষ্ণকান্তদেৱ জয়ী হ'ল। ভকতসকলৰ মাজতে বিভাজন ঘটিল। দুয়োজন ব্ৰাহ্মণ ভকত ক্ৰমে শম্ভুনাথ দেৱ আৰু জগন্নাথদেৱে কমলাবাৰী সত্ৰ এৰিলে। এভাগ ভকতে শম্ভুনাথ দেৱৰ পক্ষ লৈ খেৰাজী মাটিত সত্ৰ প্ৰতিষ্ঠা কৰিলে। নতুনকৈ স্থাপন হোৱা সত্ৰৰ নাম ন-সত্ৰ হ'ল। পাছত টুনী নদীৰ পাৰত উত্তৰ দিশে চৰকাৰে গ্ৰাণ্ট দিয়া মাটিত নতুনকৈ সত্ৰ প্ৰতিষ্ঠা কৰিলে। সেইখনেই হৈছে উত্তৰ কমলাবাৰী সত্ৰ বা গ্ৰাণ্ট সত্ৰ। জগন্নাথদেৱে গৈ শংকৰ মাধৱৰ মিলনভূমি ধুৱাহাটা বেলগুৰিত অৰণ্য ভাঙি বেলগুৰি সত্ৰ প্ৰতিষ্ঠা কৰিলে। মূল কমলাবাৰী সত্ৰৰ অধিকাৰ হৈ থাকিল কৃষ্ণকান্তদেৱ।

কৃষ্ণকান্তদেৱৰ পাছত মূল কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ পৰ্যায়ক্ৰমে লক্ষ্মীকান্তদেৱ, চন্দ্ৰকান্তদেৱ, চন্দ্ৰহাসদেৱ আৰু বৰ্তমান শ্ৰীশ্ৰীভৱকান্তদেৱ গোস্বামীয়ে সত্ৰাধিকাৰ হিচাপে সত্ৰ পৰিচালনাৰ ভাৰ লৈ বৰ্তমানলৈকে মহাপুৰুষ দুজনাই দেখুৱাই যোৱা আৰ্হিৰেই সত্ৰ সংস্কৃতিক জীৱন্ত কৰি ৰাখিছে। সত্ৰৰ পৰিচালকজনক প্ৰথম অৱস্থাত সতৰীয়া, সত্ৰীয়া, বাপু, আতৈ, দেৱ আদি উপাধিৰে ভূষিত কৰা হৈছিল। শ্ৰীশ্ৰীকৃষ্ণকান্তদেৱৰ পৰাহে 'সত্ৰাধিকাৰ গোস্বামী' উপাধিযুক্ত কৰি বদলাআতাই প্ৰতিষ্ঠা কৰি যোৱা ধৰ্মৰ আসন বৰ্তমানলৈকে অক্ষত হৈ আছে।

**উত্তৰ কমলাবাৰী সত্ৰ বা গ্ৰাণ্টৰ সত্ৰ ঃ**

মূল কমলাবাৰী সত্ৰৰ পৰা ফাটি আহি টুনী নদীৰ উত্তৰ পাৰত চৰকাৰে গ্ৰাণ্ট দিয়া মাটিত প্ৰতিষ্ঠা হোৱা সত্ৰখনৰ নাম উত্তৰ কমলাবাৰী সত্ৰ বা গ্ৰাণ্টৰ সত্ৰ। উত্তৰ পাৰে প্ৰতিষ্ঠা হোৱা বাবে সত্ৰখনক উত্তৰ কমালাবাৰী সত্ৰ বুলি কোৱা হয়। অধিকাৰ সম্ভুনাথদেৱ সতৰীয়াই পৰলোক প্ৰাপ্তি হোৱাৰ পূৰ্বেই নিজ ভাতৃ শ্ৰীবিষ্ণুদেৱক সত্ৰলৈ আনি সত্ৰাধিকাৰৰ নিৰ্মালি প্ৰদান কৰে। সম্ভুনাথ দেৱৰ পাছত শ্ৰীবিষ্ণুদেৱক উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰৰ ভাৰ অৰ্পণ কৰিলে। শ্ৰীবিষ্ণুদেৱ সতৰীয়াই নিজ ভাতৃ শ্ৰীবিশ্বনাথ দেৱক সত্ৰলৈ আনি ভৱিষ্যৎ সত্ৰাধিকাৰৰ শিক্ষাৰে পৰিপক্ক কৰি সত্ৰাধিকাৰৰ নিৰ্মালি প্ৰদান কৰে। শ্ৰীশ্ৰীবিশ্বনাথ দেৱেও নিজ ভতিজা শ্ৰীমুহিকান্তদেৱক সত্ৰলৈ আনি সত্ৰাধিকাৰৰ নিৰ্মালি প্ৰদান কৰি ইহসংসাৰ ত্যাগ কৰে। সেই সময়তেই সত্ৰৰ ভকতসকলৰ বাবে ঠাইৰ অভাৱ হোৱাত ৪৫৪ একৰ মাটি বৃটিছ চৰকাৰৰ পৰা ক্ৰয় কৰি সত্ৰ সেই স্থানলৈ স্থানান্তৰ কৰে। উত্তৰ কমলাবাৰী সত্ৰত পাছত ক্ৰমে শ্ৰীগৌৰীকান্তদেৱ আৰু শ্ৰীকমলাকান্তদেৱ সত্ৰৰ সত্ৰাধিকাৰ আসন গ্ৰহণ কৰে। শ্ৰীগৌৰিকান্তদেৱ অধিকাৰে সত্ৰ পৰিচালনা কৰি থকা সময়ত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ কৱলত পৰি উত্তৰ কমলাবাৰী সত্ৰখন চৰকাৰ গ্ৰাণ্টৰ অৱশিষ্ট ভূমিলৈ স্থানান্তৰ হ'ব লগা হয়। পুনৰ সত্ৰখন ব্ৰহ্মপুত্ৰৰ গৰাহত পৰি বৰ্তমানৰ স্থানত সত্ৰ নিৰ্মাণ কৰে। সত্ৰখনৰ বৰ্তমানৰ সত্ৰাধিকাৰ হিচাপে শ্ৰীশ্ৰী জনাৰ্দ্দনদেৱ গোস্বামীয়ে মহাপুৰুষ দুজনাৰ আদৰ্শৰে সত্ৰখনিৰ কৃষ্টি সংস্কৃতিৰ বিকাশত বিশেষ ভূমিকা পালন কৰিছে।

Scanned by CamScanner

**নতুন কমলাবাৰী সত্ৰ ঃ**

শ্ৰীশ্ৰীলক্ষ্মীকান্ত দেৱগোস্বামী কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ হৈ থকা সময়ত তেওঁ তেওঁৰ সম্বন্ধীয় ভতিজাক শ্ৰীশ্ৰীঘনকান্ত দেৱগোস্বামীক চৈধ্য বছৰ বয়সতে সত্ৰলৈ আনি বাৰ বছৰ কাল লগত ৰাখি সকলো শিক্ষাৰে পৰিপক্ক কৰি তুলিলে। লক্ষ্মীকান্তদেৱৰ মৃত্যুৰ পাছত সত্ৰৰ সত্ৰাধিকাৰ আসন লাভ কৰে শ্ৰীশ্ৰীচন্দ্ৰকান্ত দেৱে। সেই সময়তে সত্ৰৰ ভকতসকলৰ মাজত বিভাজন ঘটাত সোতৰজন ভকতসহ সত্ৰৰ পৰা ওলাই গৈ বদলাআতাৰ পদধূলাৰে ধন্য, বদলাআতাৰ শিষ্য সাৰজনীয়া কৃষ্ণআতৈৰ ভেটিত মণিকূট আৰু চাৰিহাটী নিৰ্মাণ কৰোৱাই মিচিং কৈৱৰ্ত্ত সম্প্ৰদায়ৰ ভক্তসকলৰ সঙ্গে ধৰ্ম-চৰ্চা অব্যাহত ৰাখি একৈশ বছৰ কাল অতিবাহিত কৰিলে। ভকতসকলে পৰামৰ্শ আৰু বুজনিৰে ঘনকান্ত দেৱগোস্বামীক কমলাবাৰী সত্ৰলৈ ঘূৰাই আনিলে। সত্ৰাধিকাৰ চন্দ্ৰকান্তদেৱৰ মৃত্যুৰ পাচত শ্ৰীচন্দ্ৰহাস দেৱগোস্বামীয়ে সত্ৰাধিকাৰ আসন লাভ কৰিলে। সেই সময়তে ভকতসকলৰ মাজত মনোমালিন্য ঘটি বিষয়টো আদালতৰ কক্ষ পালেগৈ। পৰৱৰ্তীসময়ত কমলাবাৰী সত্ৰৰ ছকুৰি ভকতে ১৮৫৮ শকৰ (১৯৩৬ খ্ৰীঃ) শাওণ মাহৰ শুক্লা একাদশী তিথিত নতুনকৈ স্থাপন কৰা সত্ৰখনৰ নামেই হ'ল নতুন কমলাবাৰী সত্ৰ। নতুন কমলাবাৰী সত্ৰত শ্ৰীশ্ৰীঘনকান্ত দেৱগোস্বামীয়ে সত্ৰাধকাৰ আসনত বহিল। এই সত্ৰখনিয়ে কৃষ্টি সংস্কৃতিক অন্তৰত প্ৰবাহিত কৰি বৰ্তমানলৈকে বোৱাই ৰাখিছে। সত্ৰখনত বৰ্তমান শ্ৰীশ্ৰী নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱে সত্ৰাধিকাৰ হিচাপে সত্ৰখনত সত্ৰীয়া সংস্কৃতিৰ সুঁতি বোৱাই মহাপুৰুষৰ আদৰ্শক জীয়াই ৰাখিবলৈ সক্ষম হৈছে। শঙ্কৰদেৱ বঁটাপ্ৰাপ্ত শ্ৰীশ্ৰীনাৰায়ণচন্দ্ৰ গোস্বামীদেৱক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ফালৰ পৰা 'ডি লিট' উপাধি প্ৰদান কৰে।

**মধ্য মাজুলী কমলাবাৰী সত্ৰ ঃ**

মাজুলীৰ মূল কমলাবাৰী সত্ৰখন ব্ৰহ্মপুত্ৰৰ প্ৰৱল গৰাহত পৰি যোৰহাটৰ তিতাবৰ মহিমাবাৰীলৈ স্থানান্তৰ হোৱা কালত প্ৰাকৃতিক দুৰ্যোগকো আওকাণ কৰি কেইজনমান ভকতে মাজুলি এৰিবলৈ সন্মত নহ'ল। সত্ৰ স্থানান্তৰ হোৱাৰ এবছৰ পাছত ১৯৭৬ চনত কেইবাজনো ভকতে মাজুলীৰ নিৰিবিলি পৰিৱেশ আৰু উৰ্বৰা মাটিৰ মোহ এৰিব নোৱাৰি পুৰণি স্থানতে সত্ৰ প্ৰতিষ্ঠা কৰে। সেই সত্ৰই মধ্য মাজুলী কমলাবাৰী সত্ৰ নামেৰে বৰ্তমানলৈকে সকলো চৰ্চা অব্যাহত ৰাখিছে। বৰ্তমান হেমকান্ত মহন্তদেৱে সত্ৰাধিকাৰ হিচাপে এই সত্ৰখন পৰিচালনা কৰি আছে।

ইয়াৰ উপৰিও কমলাবাৰী সত্ৰৰ কেইবাখনো শাখা সত্ৰ পোৱা যায়। যেনে - কমলাবাৰী গৃহস্থী সত্ৰ (চতিয়া), বৰজহা শাখা সত্ৰ (নগাঁও), টীয়ক কমলাবাৰী শাখা সত্ৰ।

**কমলাবাৰী সত্ৰৰ উদাসীন জীৱন প্ৰণালী ঃ**

উদাসীন শব্দটো গ্ৰীক ভাষাৰ শব্দ; যাৰ অৰ্থ হ'ল অকলে থকা। নদীৰ প্ৰৱল সোঁতত এজন নাৱৰীয়াই এখন গাঁও সোঁতৰ বিপৰীতে উজাই লৈ যোৱাটো কিমান সাধনা আৰু কষ্টকৰ

Scanned by CamScanner

তাক নাৰৰীয়াজনেহে জানে। সেইদৰে উদাস জীৱন আগুৱাই নিয়াও একেই কষ্টকৰ। তথাপিও পূৰ্বৰে পৰা বৰ্ত্তমানলৈকে বহু মহাত্মা পুৰুষেও উদাস জীৱন কটাই আহিছে। এইসকল পুৰুষকে সিদ্ধ পুৰুষ বুলি কোৱা হয়। পুৰাণ মহাভাৰতৰ দিনৰে পৰা যিসকল মহাত্মা পুৰুষে এই আৰ্হি দেখুৱাই গৈছে, তেওঁলোকৰ আদৰ্শ শিৰোগত কৰি বৰপেটা সুন্দৰীদিয়া সত্ৰ, আউনীআটী, দক্ষীণপাট, কমলাবাৰী সত্ৰৰ হাতীঘৰত বাসকৰা লোকসকলে উদাসীন ব্ৰত পালন কৰি আহিছে।

মহাপুৰুষ শংকৰ-মাধৱৰ মিলনৰ পাছত মাধৱদেৱে বিবাহৰ বাবে বন্দৱস্ত কৰি থোৱা কন্যাক প্ৰত্যাখান কৰি চিৰকুমাৰ ব্ৰত লোৱাত শংকৰদেৱে কৈছিল, “বৰাৰ পো, গড় বান্ধি যুঁজিলে সজ, প্ৰাণৰ সংশয় নাই। বিনাগড়ে যুঁজিলে ভয়।” ইয়াৰ অৰ্থ এয়ে যে সংসাৰ ধৰ্মৰ মাজত থাকি ধৰ্ম কাৰ্য কৰিলে স্খলন হোৱাৰ ভয় নাথাকে। তেতিয়া মাধৱদেৱে উত্তৰ দিলে, “বাপ, গড় বান্ধি যুঁজাক ক্ষেত্ৰিয় বোলে কোনে? বিনাগড়ে যুঁজিলেহে যুঁজাৰু।”

কমলাবাৰী সত্ৰৰ প্ৰতিষ্ঠাতা বদলাআতায়ো সংসাৰৰ সকলো ত্যাগ কৰি মাধৱদেৱৰেই আদৰ্শ অনুকৰণ কৰিছে। এই দুজনা ব্যক্তিৰ জীৱন আদৰ্শ অনুকৰণেৰে কমলাবাৰী ভকতসকলে সত্ৰ সংস্কৃতি ৰক্ষাৰ বাবে নিজৰ জীৱন -যৌৱনক সত্ৰৰ মাজত বিলীন কৰি উদাসীন ব্ৰত গ্ৰহণ কৰিছে। উল্লেখনিয় যে প্ৰত্যেকখন উদাস সত্ৰৰ ভকতেই কুটিৰ শিল্পৰ পৰা আৰম্ভ কৰি প্ৰত্যেক কামতেই নিপুন আছিল। গৃহি লোকৰ বাসস্থান সত্ৰৰ ওচৰত মুঠেই নাথাকে। সকলো দৈহিক মায়া-মোহৰ পৰা আঁতৰত থকা সত্ৰ হ'ল এক সংযমী জীৱনালয়।

**কমলাবাৰী সত্ৰৰ পৰম্পৰা আৰু উৎসৱসমূহ ঃ**

মাজুলীৰ মূল কমলাবাৰী সত্ৰখন যোৰহাটৰ তিতাবৰৰ, মহিমাবাৰীলৈ স্থানান্তৰ হয়। ব্ৰিটিছৰ দিনতে উত্তৰ কমলাবাৰী আৰু নতুন কমলাবাৰী নামেৰে মূল কমলাবাৰী সত্ৰৰ পৰা ফাটি আহি দুখন স্বাধীনচেতিয়া সত্ৰ প্ৰতিষ্ঠা হ'ল। কমলাবাৰী সত্ৰত নিত্য নৈমিত্তিক কৰ্ত্তব্য, বিভিন্ন অনুষ্ঠান পালন, ধৰ্ম-সংস্কৃতি অতীতৰে পৰা বৰ্তমানলৈকে পৰম্পৰা অনুযায়ী পালন কৰি আহিছে।

সত্ৰৰ ভকতসকলে জেঠ মাহৰ পৰা শাওন মাহৰ ভিতৰত কৃষিকৰ্ম সমাপ্ত কৰি ভাদ মাহত পালনীয় উৎসৱ পাৰ্বণৰ কামত ব্যস্ত হৈ পৰে। সত্ৰৰ চৌহদত বাঁহ, কল, নাৰিকলৰ লগতে ফল-ফুলেৰে জাতিষ্কাৰ হৈ থাকে। ধানখেতিৰ উপৰিও শাক-পাচলিৰ খেতি কৰি আত্মনিৰ্ভৰশীল হৈ জীৱন-যাপন কৰাটোও কমলাবাৰী সত্ৰৰ ভকতসকলৰ আন এক পৰম্পৰা। সন্ধ্যা সত্ৰৰ নামঘৰত দবা কোবাই নিৰ্দিষ্ট প্ৰসঙ্গৰ আৰম্ভণি আৰু সামৰণিৰ ঘোষণা কৰে। ঘাই দেউৰীয়ে বন্তি জ্বলায়, নাম লগোৱা, আৰ্শীবদীয়া, গায়ন, বায়ন আদি সকলোৱে নিজস্ব কৰ্ম সুচাৰুৰূপে পালন কৰে। সত্ৰত ধৰ্ম আৰু সত্ৰীয়া সংস্কৃতিৰ চৰ্চা হয়।

**বদলাপদ্ম আতাৰ মহাপ্ৰয়াণ তিথি ঃ**

কমলাবাৰী সত্ৰত ভাদ মাহত পালন কৰা এটা বিশেষ অনুষ্ঠান হৈছে বদলাআতাৰ

Scanned by CamScanner

মহাপ্ৰয়াণ তিথি। চাৰি দিনিয়াকৈ অনুষ্ঠিত হোৱা তিনিওজনা গুৰুৰ তিৰোভাৱ তিথি পালন বৈশিষ্ট্যপূৰ্ণ। ভাদ মাহৰ প্ৰথম কীৰ্ত্তনৰ ছদিন আগৰে পৰা নাম ডাকে আৰু খোল বাদ্যৰ ধেমালি জোৰে। বিভিন্ন ধেমালিসমূহ জোৰাৰ উপৰিও ৰাগ ৰেপনি আৰু ভাওনাৰ সূত্ৰধাৰী নৃত্যৰ প্ৰাককালৰ চলনা পৰিৱেশন কৰে। এই অনুষ্ঠানত সত্ৰলৈ দূৰ-দূৰণিৰ ভক্তৰো আগমন ঘটে। দিনে-নিশাই অনুষ্ঠিত হোৱা কৰ্মত যোগদান কৰি ভক্তসকলে আধ্যাত্মিক পৰিতৃপ্তি লাভ কৰে।

প্ৰথম দিনা চাউল ভোজনি। ভক্তসকলে গুৰু আৰু ভকতৰ বাবে লৈ অহা দ্ৰব্য সম্ভাৰ সেইদিনা কীৰ্ত্তনৰ বাবে ৰাখি ভকতৰ মাজত বিতৰণ কৰা হয়। দিনৰ ভাগত কীৰ্ত্তন ঘৰত মহাপুৰুষসকলৰ মহান সৃষ্টি ঝুমুৰা নৃত্য, নাদুভঙ্গী নৃত্যৰে গুৰুক স্মৰণ কৰা হয়। দিনৰ ভাগত গুৰু বন্দন ধেমালি বাদ্য আৰু নিশা চোৰ ধেমালি বাদ্যৰে গুৰুক প্ৰাৰ্থনা জনোৱা হয়।

দ্বিতীয় দিনা থাপনি। সেইদিনা আতাৰ গৃহৰ পৰা বৈষ্ণৱ পৰম্পৰাৰ চাৰি শাস্ত্ৰ সভক্তিৰে সত্ৰৰ পৰম্পৰাৰে গায়ন-বায়নেৰে কীৰ্ত্তন ঘৰৰ গুৰু আসনৰ দক্ষিণ দিশৰ উপআসনত স্থাপন কৰা হয়। 'গোপী উদ্ধৱ সংবাদ'ৰ মূৰ্ত্তি কীৰ্ত্তন ঘৰৰ গুৰু আসনৰ উত্তৰ দিশৰ উপআসনত স্থাপন কৰা হয়। দৈনন্দিন প্ৰসঙ্গৰ উপৰি সেইদিনা সত্ৰৰ পৰম্পৰাৰে ৰাগ-ৰেপনি বজাই ভোজন, বেহাৰ, চালি নৃত্য আৰু প্ৰৱেশ নৃত্য প্ৰদৰ্শনেৰে গুৰুক স্মৰণ কৰা হয়। সন্ধ্যা ৰাম ধেমালি, বৰ প্ৰৱেশৰ নৃত্যৰ প্ৰদৰ্শনেৰে ভক্তসকলে গুৰুক স্মৰণ কৰে।

তৃতীয় দিনা কীৰ্ত্তন। গুৰুসকলৰ তিৰোভাৱ তিথিৰ দিনা কীৰ্ত্তন হয়। পুৱাৰ প্ৰসঙ্গৰ অন্তত বৰপেটীয়া ধেমালি বজাই ভোজন বেহাৰ নৃত্য আৰু ওজা কীৰ্ত্তন কৰা হয়। সেই অনুষ্ঠান শেষ হওঁতে বেলি লহিয়ায়। দৈনন্দিন সন্ধ্যা কীৰ্ত্তনৰ অন্তত নিশা ন ধেমালি বজাই খোলাত নটা সঁচাৰ বজোৱা হয়। তাৰ পাছত গুৰুসকলৰ বৈকুণ্ঠ গমনৰ বিষাদত ত্ৰিকুণৰ গীত গোৱা হয়। তাৰ পিছতেই আৰম্ভ হোৱা নাম প্ৰসঙ্গ অন্ত হওঁতে মাজনিশা হয়। নিশা দুই মান বজাত ওজা কীৰ্ত্তন আৰম্ভ হয় আৰু শেহনিশা ঘোষা ধেমালিৰে কীৰ্ত্তনৰ কৰ্ম অন্ত পৰে।

চতুৰ্থ বা শেষৰ দিনা ভাঙনি। এনে পৰম্পৰাৰ পুৱাৰ ভাগত অনুষ্ঠিত হয় মধ্য ভাঙনি উৎসৱৰ এভাগ কীৰ্ত্তন 'যাত্ৰা ঘোষা'। একুৰিৰ ওপৰ সংখ্যক ভকতে হাতত তাল, মুখত হৰিনাম, অন্তৰত গুৰুজনাক মৰ্ত্ত্যলৈ আদৰি আনি কৰ্মৰ অন্তত বৈকুণ্ঠলৈ বিদায় জনায়। সৰ্বশ্ৰেষ্ঠ বুঢ়াভকতে ভকতসকলেৰে পৰিবেষ্টিত হৈ কীৰ্ত্তন ঘৰৰ এমূৰৰ পৰা সিমূৰলৈ পৰিভ্ৰমি হস্ত আৰু পদচালনাৰে 'কংস বধ'ৰ - 'এ জয় হৰি জয় ৰাম' আৰু 'প্ৰাণ হৰি গৈলা এৰি...' আদি কীৰ্ত্তন গাই মনৰ মাজত আলোড়ন তুলি গা সিৰসিৰাই যোৱা পৰিৱেশ এটা সৃষ্টি কৰে। সম্পূৰ্ণ আধ্যাত্মিকতাৰে বিশেষ তালত বিগলিত কণ্ঠৰে কাৰুণ্যপূৰ্ণ গীত, বিশেষ পদ চালনা আৰু হস্তৰে কৰা সেই 'যাত্ৰা ঘোষা'ত প্ৰকাশি উঠে বৈকুণ্ঠৰ পৰা নমাই অনা ভগৱানে যেন মৰ্ত্তত আনন্দোৎসৱ পালন কৰি পুনৰ বৈকুণ্ঠলৈ বিদায় দিলে। সেই 'যাত্ৰা ঘোষা' মনোৰঞ্জনৰ সম্পদ নহয়। কমলাবাৰী সত্ৰৰ কৃষিজীৱী, উদাসীন ভকতসকলে আৰ্থিক দৈন্যতাক আওকাণ কৰি তাহানিৰ পৰাই চৰ্চাৰে অক্ষত ৰাখিছে সম্পূৰ্ণ আধ্যাত্মিক সত্ৰীয়া পৰম্পৰাক।

Scanned by CamScanner

**বিহু উৎসৱ ঃ**

সত্ৰত তিনিওটা বিহু পৰম্পৰাৰে পালন কৰা হয়। গুৰু আসনত নতুন বস্ত্ৰ দিয়া হয়। ব'হাগ বিহুৰ প্ৰথম দিনাই বদলাআতাই তীৰ্থৰ পৰা উভতি আহি গুৰু মাধৱদেৱক সেৱা জনাইছিল। কমলাবাৰী থুলৰ সত্ৰসমূহৰ বাবে সেই দিনটো বৈশিষ্ট্যপূৰ্ণ।

**কৃষ্ণ জন্মাষ্টমী তিথিঃ**

ভাদ মাহৰ কৃষ্ণপক্ষৰ অষ্টমী তিথিত সকলোৱে পালন কৰা কৃষ্ণৰ জন্মৰ আনন্দোৎসৱ আধ্যাত্মিকভাৱে সত্ৰত পালন কৰে।

**ৰাস উৎসৱ ঃ**

সত্ৰসমূহত পালন হোৱা এক অনুষ্ঠান হৈছে ৰাস মহোৎসৱ। শৰতৰ পূৰ্ণিমাৰ জোনাকত যমুনাৰ তীৰত হোৱা শ্ৰীকৃষ্ণৰ ৰাসলীলা কেৱল সত্ৰতেই নহয় সমগ্ৰ পৃথিৱীৰ হিন্দু ধৰ্ম্মালম্বীৰ লোকে পালন কৰি আহিছে। কৃষ্ণ লীলাৰ এই উৎসৱত কৃষ্ণৰ বাল্যকালৰ পৰা মহাৰাস পৰ্যন্ত অভিনয়ৰে বৰ্ণনা কৰা হয়।

**ফাকুৱা উৎসৱ ঃ**

ফাগুন মাহৰ পূৰ্ণিমা তিথিত অনুষ্ঠিত এই উৎসৱ পোনপ্ৰথমে মহাপুৰুষ শংকৰদেৱে আৰম্ভ কৰিছিল বৰদোৱাত। সকলো সত্ৰই এই উৎসৱ পালন কৰি আহিছে।

**পাল নাম উৎসৱঃ**

মহাপুৰুষ শংকৰদেৱে বৰদোৱা থানত প্ৰথমবাৰ জলাভাৱত কৃষকৰ মাজত হাহাকাৰ অৱস্থা হোৱাত দ্বিতীয়বাৰ হৰিজোঁৱাই আৰু মাধৱদেৱক ৰজাই ধৰাই নিয়াত সৰ্বমঙ্গলৰ অৰ্থে অনুষ্ঠিত কৰা পালনাম উৎসৱ বৰ্তমানো সৰ্বমঙ্গলৰ উদ্দেশ্যে জেঠ মাহত পালন কৰা হয়। নামৰ অন্তত নিশা ভক্তিৰস পূৰ্ণ ভাওনা সভক্তিৰে আয়োজন কৰে।

**চৰিত তোলা বা চৰিত পাঠঃ**

গুৰুসকলৰ চৰিত তোলা বা চৰিত পাঠ কমলাবাৰী সত্ৰৰ এক জীৱন্ত পৰম্পৰা। বিশেষকৈ গুৰু কীৰ্ত্তন ভাঙনিৰ দিনা পুৱা গীত আৰু প্ৰসঙ্গৰ পাছতেই 'ঘোষা যাত্ৰা' আৰম্ভ হয়। সেই অনষ্ঠান সমাপ্তিৰ লগে লগেই মহাজ্ঞানৰ ভাণ্ডাৰ বুঢ়াভকতে কীৰ্ত্তন অনুযায়ী গুৰুৰ পুৰ্বপুৰুষৰ জন্মৰ পৰা অন্তিম কাললৈকে একেলেথাৰিয়ে পাঁচ ছয় ঘণ্টা জুৰি কৈ যোৱা বৃত্তান্তই হৈছে চৰিত পাঠ। চৰিত পাঠৰ পৰম্পৰাই অসমীয়া সমাজত মহাপুৰুষসকলৰ জীৱনী বিস্তৃতভাৱে জনাৰ উৎকৃষ্ট মাধ্যম।

Scanned by CamScanner

**চৈধ্য প্ৰসঙ্গঃ**

চৈধ্য প্ৰসঙ্গ সত্ৰৰ কীৰ্ত্তন ঘৰত নিতৌ আৰম্ভ হয় পুৱাৰ গীতেৰে। পুৱাৰ জাগৰণৰ গীত, প্ৰাত- ভটিমা উপদেশ, নামচন্দ্ৰ শৰণচন্দ্ৰৰ ঘোষা, কীৰ্ত্তন ঘোষা আৰু ভাগৱত পাঠেৰে পুৱাৰ পাঁচ প্ৰসঙ্গৰ সামৰণি পৰে।

বিয়লি প্ৰসঙ্গত আগপাঠ, শেষপাঠ, নামচন্দ্ৰ ঘোষা আৰু উপদেশেৰে চাৰি প্ৰসঙ্গ অনুষ্ঠিত হয়। সন্ধ্যা গুণমালা ভটিমা, খোল তালৰ প্ৰসঙ্গ, নামচন্দ্ৰ শৰণচন্দ্ৰৰ ঘোষা, কীৰ্ত্তন ঘোষা, বিৰহ কীৰ্ত্তন আৰু ভাগৱত পাঠ পাঁচ প্ৰসঙ্গ মুঠ চৈধ্য-প্ৰসঙ্গেৰে ভক্তসকলে শ শ বছৰ সত্ৰৰ আধ্যাত্মিক, সাংস্কৃতিক চৰ্চাক যতি নপৰাকৈ অলেখ কষ্ট আৰু ত্যাগৰ মাজেৰে জীয়াই ৰাখিছে। বালক ভকতসকলে দৈনন্দিন হোৱা চৈধ্য প্ৰসঙ্গ দেখি, শুনি, অনুশীলন কৰি আয়ত্ব কৰে আৰু পিছলৈ একোজন শিল্পী ভকত হৈ পৰে।

**বৰ্তমানৰ মূল কমলাবাৰী সত্ৰঃ**

১৬৭৩ চনত মাজুলীত বদলাপদ্ম আতাই প্ৰতিষ্ঠা কৰা কমলাবাৰী সত্ৰৰ এভাগ উত্তৰ কমলাবাৰী আৰু এভাগ নতুন কমলাবাৰী হৈ আঁতৰি গ'ল যদিও নানা দুৰ্যোগৰ মাজৰে মূল কমলাবাৰী সত্ৰ অক্ষত অৱস্থাত আছে। শ্ৰীশ্ৰীচন্দ্ৰহাস গোস্বামী সত্ৰাধিকাৰ হৈ থকা অৱস্থাতে নিজৰ ভতিজাক শ্ৰীশ্ৰীভৱকান্ত গোস্বামীক সত্ৰলৈ আনি ভাবী ডেকা অধিকাৰ পাতিলে আৰু তেওঁয়েই পাছলৈ গৈ সত্ৰৰ সত্ৰাধিকাৰ হয়গৈ।

সত্ৰাধিকাৰ শ্ৰীশ্ৰীচন্দ্ৰাহাস দেৱগোস্বামী শয্যাগত। ডেকা সত্ৰাধিকাৰ থাকিলেও সত্ৰৰ কাৰ্যসমূহ বৰ আলধৰাৰ ওপৰত ন্যস্ত। ১৯৬০ চন মানৰ পৰা আৰম্ভ হ'ল প্ৰাকৃতিক দুৰ্যোগ। ব্ৰহ্মপুত্ৰৰ খহনীয়া আৰম্ভ হ'ল। প্ৰায় চাৰি কিলোমিটাৰমান আঁতৰত থকা নদীখনত খহনীয়াই উত্তাল ৰূপ ধৰাত সত্ৰৰ নিচেই কাষ চাপি আহিল. সত্ৰৰ ভালেখিনি খেতিৰ মাটিও পানীত জাহ গ'ল। সেয়ে মুক্তিয়াৰ আৰু ভকতসকলে আলোচনা কৰি সত্ৰ স্থানান্তৰ চিন্তা কৰিলে। পাভ ৰিজাৰ্ভত চৰকাৰে সত্ৰলৈ বুলি তিনিশ বিঘা মাটি দিলে। কিন্তু দুৰ্যোগে তাতো লগ নেৰিলে। পাভ নদীত বানপানী আহিল। ইফালে সত্ৰাধিকাৰৰ শাৰীৰিক অৱস্থা দিনক দিনে বেয়াৰ ফালে গতি কৰিলে। এদিন সকলোকে দুখ সাগৰত পেলাই সত্ৰাধিকাৰে অন্তিম নিশ্বাস ত্যাগ কৰিলে। সত্ৰাধিকাৰ শ্ৰীশ্ৰীচন্দ্ৰহাস দেৱগোস্বামীৰ আদ্য শ্ৰাদ্ধৰ দিনাই এক পৱিত্ৰক্ষণত সত সহস্ৰ শিষ্য-প্ৰশিষ্যৰ উপস্থিতিত ৪২ বছৰীয়া শ্ৰীশ্ৰীভৱকান্ত দেৱগোস্বামীক আনুষ্ঠানিক নিৰ্মালি প্ৰদান কৰিলে তেতিয়াৰ সৰ্বশ্ৰেষ্ঠ বুঢ়াভকত কণ্ঠিৰাম শৰ্মাদেৱে। সেইদিনাই পৰাই শ্ৰীশ্ৰীভৱকান্ত দেৱগোস্বামী কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ হিচাপে বৰ্তমানলৈকে সত্ৰখন পৰিচালনা কৰি আছে।

শ্ৰীশ্ৰীচন্দ্ৰহাস গোস্বামীদেৱৰ মৃত্যুৰ প্ৰায় দুমাহমান পাচতেই সত্ৰৰ এগৰাকী মুকুট, পাঠক, অধ্যাপক, বিশিষ্ট পণ্ডিত, সৰ্বশ্ৰেষ্ঠ বুঢ়াভকত মণিৰাম গায়ন মুক্তিয়াৰৰ দেহাবসান ঘটিল। কিছুদিনৰ পাছত মহান শিল্পী, সত্ৰীয়া সংগীতৰ সাধক, সত্ৰীয়া নৃত্য কলাৰ প্ৰচাৰক,

Scanned by CamScanner

সংগীত নাটক অকাডেমী বঁটা প্ৰাপক, নৃত্য আৰু বাদ্য শিক্ষাৰ অধ্যাপক মণিৰাম মোক্তাৰ বৰবায়ন আতৈয়ে সকলোকে শোক সাগৰত পেলাই পঁচাশী বছৰ বয়সত পৰলোক প্ৰাপ্তি হয়।

শাস্ত্ৰই কয়-

পাৰ দুই আছন্তে নগৈলা ক্ষেত্ৰ স্থান।
মোৰ পাৰ ভৈলা বৃক্ষ-শিপাৰ সমান।।

তীৰ্থস্থান ভ্ৰমণ অবিহনে জ্ঞান প্ৰাপ্তি সম্পূৰ্ণ নহয়। সেই উদ্দেশ্য আগত লৈ কমলাবাৰী সত্ৰৰ যোল্লজন ভকত বৈষ্ণৱসহ সত্ৰাধিকাৰ শ্ৰীশ্ৰীভৱকান্ত দেৱগোস্বামী ১৯৭১ চনৰ মাৰ্চ মাহৰ শুভ দিনত তীৰ্থযাত্ৰালৈ ওলাল। তেওঁৰ লগত যোৱা ভকতসকল ক্ৰমে ভোগেশ্বৰ বৰুৱা নামলগোৱা, চেনিৰাম আতৈ বুঢ়াবকত, ৰত্নেশ্বৰ ৰাজখোৱা মুক্তাৰ, ৰঘু পাঠক, সোণাৰাম শৰ্মা বুঢ়াভকত, পুহাই কলিতা, ভোলাৰাম পাঠক, গুণ খাটনিয়াৰ, থগীৰাম মেধি, দীনৰাম বৰুৱা, দেউৰাম শইকীয়া, বোপাটি হাজৰিকা পাঠক, বেথাৰাম হাজৰিকা পাঠক, হৰনাথ শইকীয়া, চন্দ্ৰেশ্বৰ মুক্তিয়াৰ। ইয়াৰে বহুকেইজন বৰ্তমান প্ৰয়াত। সেই যাত্ৰাত কাসী, বাৰানসী, প্ৰয়াগ, গয়া, বৃন্দাবন, মথুৰা, গোকুল, অযোধ্যা, কুৰুক্ষেত্ৰ, হস্তিনাপুৰ, সন্দীপনি মুনিৰ আশ্ৰম, শ্ৰীকৃষ্ণৰ পঢ়াশালী, দিল্লীৰ লালকিল্লা, কুটুব মিনাৰ, দ্বাৰকা, হৰিদ্বাৰ, ভেটদ্ৰাৰকা, লক্ষ্মণঝুলা, পাঞ্জাৱ, ৰাজস্থান, জম্মু-কাশ্মীৰ, গুজৰাট, মাদ্ৰাজ, কেৰেলা, সৰ্বশেষত মহাপ্ৰভু জগন্নাথ দৰ্শন কৰি কলিকতা হৈ মধুপুৰ স্থানত জিৰণি ল'লেহি।

লাহে লাহে সত্ৰলৈ আৰ্থিক সংকট নামি আহিল। এটাৰ পিছত এটাকৈ পাঁচটা বানপানীত সৰ্বস্ব হেৰুৱাই সত্ৰত খাদ্য সংকটৰ সৃষ্টি হ'ল। ভকতসকলে সত্ৰ স্থানান্তৰৰ চিন্তাৰে চৰকাৰৰ লগত যোগাযোগ কৰি মাটিৰ অনুসন্ধানত লাগিল। সত্ৰৰ দুৰবস্থাৰ কথা জানি চৰকাৰে লক্ষ্মীমপুৰ জিলাৰ নাৰায়ণপুৰৰ ওচৰত থকা দেউৰী ব্লকৰ কুৰি বিঘা মাটি সত্ৰলৈ দিয়াৰ কথা ৰেডিঅ' যোগে প্ৰচাৰ হোৱাত দেউৰীসকলে গৰু গাই চৰোৱাৰ অসুবিধা দেখুৱাই বাধা দিলে। সেই ঠাইলৈ সত্ৰ স্থানান্তৰৰ চিন্তা বাদ দি অসমৰ সকলো জিলাত মাটিৰ অনুসন্ধান কৰি খবৰ পালে যে তিতাবৰৰ ওচৰৰ নগাপাহাৰৰ কাষত থকা চিলিং আইন যোগে চৰকাৰৰ হাতলৈ যোৱা মাটিৰ কথা। তেতিয়া মুখ্যমন্ত্ৰীৰ আসনত আছিল শৰত চন্দ্ৰ সিংহ, ৰাজহ মন্ত্ৰী পৰমা গগৈ আৰু মাটিৰ হাকিম হৰিপ্ৰসাদ চলিহা। হাকিমজনে ভকত কেইজনমানক লগত লৈ মাটি চাবলৈ গ'ল। তেতিয়া দাৱনীয়ে পথাৰত ধান কাটি আছিল। তেনে সময়ত মাটিৰ কথা উলিয়ালে বিপদ হে হ'ব, সেয়ে ভকতকেইজনক গাড়ীতে বহিবলৈ কৈ দাৱনীয়ে বান্ধি থোৱা ধানৰ মুঠি কেইটামানকে আনি ভকতকেইজনক দেখুৱালে। ধানৰ মুঠিবোৰ দেখি ভকতকেইজনে সন্তুষ্টি লভি সেই ঠাইলৈকে সত্ৰ স্থানান্তৰ কৰাৰ সিদ্ধান্ত কৰিলে। সেই বছৰেই ধান দোৱাৰ পাছতেই মাটিৰ হাকিমে পৰ্যায়ক্ৰমে এশ বিঘা মাটি সত্ৰৰ নামত লিখি দিয়ে।

ব্ৰহ্মপুত্ৰৰ বানপানীয়ে মাজুলীৰ বহু ঠাইত দুৰ্যোগৰ সৃষ্টি কৰিলে। চিৰসেউজ মাজুলীৰ বুকুত অঙ্কুৰিত হোৱা ইতিহাসে ঢুকি নোপোৱা কালৰ বৃহৎ বৃহৎ বৃক্ষ, এবিঘাতকৈও অধিক মাটি আবৰি থকা ভালেকইজোপা কেন্দুগছ, প্ৰায় ত্ৰিশ চল্লিশ ফুট বেৰৰ একোজাপা অশ্বত্থ গছ,

Scanned by CamScanner

বকুল, ভোমোৰা আদি অন্যান্য গছৰ উপৰি আঠশতকৈও অধিক সংখ্যক বৃহৎ শিলিকা গছ উত্তাল ব্ৰহ্মপুত্ৰই নিৰ্দয়ভাৱে উভালি পেলালে। সেই দৃশ্য প্ৰত্যক্ষ কৰা সকলৰ অন্তৰত সেই ভঙনৰ ছবি এতিয়াও জুইৰ শিখাৰ দৰে জলন্ত হৈ উঠে। ভকতসকলৰ খেতিৰ মাটিও নদীত জাহ গ'ল। সেয়ে সিদ্ধান্ত কৰিলে সত্ৰ স্থানান্তৰ হ'বই লাগিব। সত্ৰ স্থানান্তৰ নকৰিলে সত্ৰীয়া সংস্কৃতিক জীয়াই ৰাখিব নোৱাৰি।

তেতিয়া আছিল ১৯৭৫ চন, অসমীয়া মাঘ মাহৰ ছয় তাৰিখে মাজুলীৰ কমলাবাৰী সত্ৰখন স্থানান্তৰ হয় যোৰহাট জিলাৰ তিতাবৰৰ নগা পাহাৰৰ দাঁতিকাষৰীয়া মহিমাবাৰী অঞ্চললৈ। সেই কাহিনী আছিল ভকতসকলৰ বাবে অতি হৃদয় বিদাৰক। পুৱাই চাৰিখন মাৰ নাওঁ সাজু কৰি ভকতসকলে সত্ৰৰ সকলো সম্পদেৰে সৈতে আহি মহিমাবাৰীত উপস্থিত হ'লহি। ভকতসকলে লগত লৈ অনা হনুমানৰ মুৰ্ত্তিভাগক সভক্তিৰে মহিমাবাৰীৰ সত্ৰলৈ আনি প্ৰতিষ্ঠা কৰিলে। আতাৰ গৃহত মূল শাস্ত্ৰ, অক্ষয় বন্তি আৰু কীৰ্ত্তন ঘৰত সকলোখিনি স্থাপন কৰিলে। সকলো ভকত সত্ৰখনি পুনৰ প্ৰতিষ্ঠাৰ কামত ব্যস্ত হৈ পৰিল। অস্থায়ী কীৰ্ত্তন ঘৰত প্ৰসঙ্গ কৰিব পৰাকৈ ভাগৰত স্থাপন, অক্ষয় বন্তি, মহাপ্ৰভুসকলক নিজ নিজ স্থানত উপবিষ্ট কৰি সত্ৰৰ নৈমিত্তিক কামত অগ্ৰসৰ হ'ল। প্ৰায় এশ পঞ্চাশখন ট্ৰাকেৰে মাজুলীৰ পৰা মালবস্তু স্থানান্তৰ কৰোতে অনেক বস্তু ব্যয় হ'ল।

সত্ৰখনৰ নতুন ঠাই হ'ল মহিমাবাৰী। বৃক্ষহীন পথৰুৱা মাটি মাজুলীৰ দৰে ৰসাল নহয়। মাজুলী এৰি আহি ভকতসকল আনন্দিত হোৱা নাই যদিও সকলো সময়ে কৰিলে বুলি গ্ৰহণ কৰি সত্ৰ স্থাপন কৰা হ'ল। সত্ৰৰ ভকতসকলৰ অপ্ৰাণ চেষ্টাত সত্ৰৰ সকলো সম্পদ আৰু প্ৰভুজনাৰ স্থানখনি উঠাই আনিবলৈ সক্ষম হয়। মহাপুৰুষ দুজনাৰ পৰম্পৰা ধৰি ৰাখি সত্ৰখনত ভকতসকলে পৰম্পৰা আৰু চৰ্চা অব্যাহত ৰাখিলে। পুৰণি কমলাবাৰী সত্ৰ বা মূল কমলাবাৰী সত্ৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত প্ৰতিষ্ঠা হ'ল। মহিমাবাৰী তেতিয়া আধুনিকতাৰ পোহৰ নপৰা দুৰ্গম পিছপৰা ঠাই। পঙ্কিল পথ, যাতায়ত কষ্টকৰ। ভকতসকলৰ নিৰাপত্তাৰ খাতিৰত পুলিচ পহৰাৰ ব্যৱস্থা কৰিছিল জিলা প্ৰশাসনে। মাজে সময়ে বেদখলকাৰীয়ে সৰু-সুৰা অশান্তি কৰিলেও প্ৰশাসনে সকলো চম্ভালি থাকে। সত্ৰভাগি কোনোমতে প্ৰতিষ্ঠা হোৱাৰ পাছতেই সত্ৰৰ মাধ্যমেৰে আৰম্ভ হোৱা জনকল্যাণমুখী কৰ্মৰ প্ৰসাৰ ঘটিল।

সত্ৰ স্থাপিত হোৱাৰ এবছৰৰ পাছত ১৯৭৬ চনৰ কথা। সত্ৰৰ ভালদৰে থান-থিত লগাই নাই, বহাসমূহো হৈ উঠা নাই। অস্থায়ী কীৰ্ত্তন ঘৰত সত্ৰৰ নৈমিত্তিক কামত হেৰ-ফেৰ নোহোৱাকৈ নাম-প্ৰসঙ্গ হয়। সত্ৰৰ চৌহদ পথৰুৱা। চাৰিবিঘামান মাটিৰ ধান খেতিৰ পথাৰখন শুৱনি হৈ পৰিছে। ইফালে ৰাস পূৰ্ণিমা পালন কৰিব লাগে। বেলেগ নাটঘৰো নিৰ্মাণ কৰিব পৰা নাই। গতিকে পথাৰৰ একাষতে ৰাস উৎসৱ পালন কৰা হ'ল। সত্ৰত পতা ৰাসৰ উমান পাই ৰাইজৰ সমাগমত চাৰিবিঘা মাটিৰ ধান দৰ্শকৰ ভৰিৰ গচকত মাটিৰ লগত মিহলি হৈ গ'ল। তথাপিও ভকতসকলে সত্ৰৰ সম্পদ বিলাই দি পৰম আনন্দিত হ'ল।

Scanned by CamScanner

বকুল, ভোমোৰা আদি অন্যান্য গছৰ উপৰি আঠশতকৈও অধিক সংখ্যক বৃহৎ শিলিকা গছ উত্তাল ব্ৰহ্মপুত্ৰই নিৰ্দয়ভাৱে উভালি পেলালে। সেই দৃশ্য প্ৰত্যক্ষ কৰা সকলৰ অন্তৰত সেই ভঙনৰ ছবি এতিয়াও জুইৰ শিখাৰ দৰে জলন্ত হৈ উঠে। ভকতসকলৰ খেতিৰ মাটিও নদীত জাহ গ'ল। সেয়ে সিদ্ধান্ত কৰিলে সত্ৰ স্থানান্তৰ হ'বই লাগিব। সত্ৰ স্থানান্তৰ নকৰিলে সত্ৰীয়া সংস্কৃতিক জীয়াই ৰাখিব নোৱাৰি।

তেতিয়া আছিল ১৯৭৫ চন, অসমীয়া মাঘ মাহৰ ছয় তাৰিখে মাজুলীৰ কমলাবাৰী সত্ৰখন স্থানান্তৰ হয় যোৰহাট জিলাৰ তিতাবৰৰ নগা পাহাৰৰ দাঁতিকাষৰীয়া মহিমাবাৰী অঞ্চললৈ। সেই কাহিনী আছিল ভকতসকলৰ বাবে অতি হৃদয় বিদাৰক। পুৰাই চাৰিখন মাৰ নাওঁ সাজু কৰি ভকতসকলে সত্ৰৰ সকলো সম্পদেৰে সৈতে আহি মহিমাবাৰীত উপস্থিত হ'লহি। ভকতসকলে লগত লৈ অনা হনুমানৰ মুৰ্ত্তিভাগক সভক্তিৰে মহিমাবাৰীৰ সত্ৰলৈ আনি প্ৰতিষ্ঠা কৰিলে। আতাৰ গৃহত মূল শাস্ত্ৰ, অক্ষয় বন্তি আৰু কীৰ্ত্তন ঘৰত সকলোখিনি স্থাপন কৰিলে। সকলো ভকত সত্ৰখনি পুনৰ প্ৰতিষ্ঠাৰ কামত ব্যস্ত হৈ পৰিল। অস্থায়ী কীৰ্ত্তন ঘৰত প্ৰসঙ্গ কৰিব পৰাকৈ ভাগৱত স্থাপন, অক্ষয় বন্তি, মহাপ্ৰভুসকলক নিজ নিজ স্থানত উপবিষ্ট কৰি সত্ৰৰ নৈমিত্তিক কামত অগ্ৰসৰ হ'ল। প্ৰায় এশ পঞ্চাশখন ট্ৰাকেৰে মাজুলীৰ পৰা মালবস্তু স্থানান্তৰ কৰোতে অনেক বস্তু ব্যয় হ'ল।

সত্ৰখনৰ নতুন ঠাই হ'ল মহিমাবাৰী। বৃক্ষহীন পথৰুৱা মাটি মাজুলীৰ দৰে ৰসাল নহয়। মাজুলী এৰি আহি ভকতসকল আনন্দিত হোৱা নাই যদিও সকলো সময়ে কৰিলে বুলি গ্ৰহণ কৰি সত্ৰ স্থাপন কৰা হ'ল। সত্ৰৰ ভকতসকলৰ অপ্ৰাণ চেষ্টাত সত্ৰৰ সকলো সম্পদ আৰু প্ৰভুজনাৰ স্থানখনি উঠাই আনিবলৈ সক্ষম হয়। মহাপুৰুষ দুজনাৰ পৰম্পৰা ধৰি ৰাখি সত্ৰখনত ভকতসকলে পৰম্পৰা আৰু চৰ্চা অব্যাহত ৰাখিলে। পুৰণি কমলাবাৰী সত্ৰ বা মূল কমলাবাৰী সত্ৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত প্ৰতিষ্ঠা হ'ল। মহিমাবাৰী তেতিয়া আধুনিকতাৰ পোহৰ নপৰা দুৰ্গম পিছপৰা ঠাই। পঙ্কিল পথ, যাতায়ত কষ্টকৰ। ভকতসকলৰ নিৰাপত্তাৰ খাতিৰত পুলিচ পহৰাৰ ব্যৱস্থা কৰিছিল জিলা প্ৰশাসনে। মাজে সময়ে বেদখলকাৰীয়ে সৰু-সুৰা অশান্তি কৰিলেও প্ৰশাসনে সকলো চম্ভালি থাকে। সত্ৰভাগি কোনোমতে প্ৰতিষ্ঠা হোৱাৰ পাছতেই সত্ৰৰ মাধ্যমেৰে আৰম্ভ হোৱা জনকল্যাণমুখী কৰ্মৰ প্ৰসাৰ ঘটিল।

সত্ৰ স্থাপিত হোৱাৰ এবছৰৰ পাছত ১৯৭৬ চনৰ কথা। সত্ৰৰ ভালদৰে থান-থিত লগাই নাই, বহাসমূহো হৈ উঠা নাই। অস্থায়ী কীৰ্ত্তন ঘৰত সত্ৰৰ নৈমিত্তিক কামত হেৰ-ফেৰ নোহোৱাকৈ নাম-প্ৰসঙ্গ হয়। সত্ৰৰ চৌহদ পথৰুৱা। চাৰিবিঘামান মাটিৰ ধান খেতিৰ পথাৰখন শুৱনি হৈ পৰিছে। ইফালে ৰাস পূৰ্ণিমা পালন কৰিব লাগে। বেলেগ নাটঘৰো নিৰ্মাণ কৰিব পৰা নাই। গতিকে পথাৰৰ একাষতে ৰাস উৎসৱ পালন কৰা হ'ল। সত্ৰত পতা ৰাসৰ উমান পাই ৰাইজৰ সমাগমত চাৰিবিঘা মাটিৰ ধান দৰ্শকৰ ভৰিৰ গচকত মাটিৰ লগত মিহলি হৈ গ'ল। তথাপিও ভকতসকলে সত্ৰৰ সম্পদ বিলাই দি পৰম আনন্দিত হ'ল।

Scanned by CamScanner

**সত্ৰৰ স্থাৱৰ সম্পত্তিঃ**

কমলাবাৰী সত্ৰৰ দেৱোত্তৰ মাটিৰ হিচাবত ২২০০০ পুৰা বুলি পুৰণি নথিত লিখা আছে। পিছত সত্ৰাধিকাৰ চন্দ্ৰহাস দেৱগোস্বামীৰ দিনত শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্তৰ চৰকাৰী জাননী যোগে লাখেৰাজ দেৱোত্তৰ ভূমিৰ ১৯৫২৭ বিঘা ১৬ লোচা মাটি চৰকাৰী অধিগ্ৰহণ কৰা পত্ৰত সত্ৰাধিকাৰে স্বাক্ষৰ কৰিলে। সেই ভূমিতেই পাছত কমলাবাৰী ফেৰী ঘাটৰ পৰা লক্ষীমপুৰলৈ অহা-যোৱা কৰা কমলাবাৰী পথ নিৰ্মাণ হয়। সেই ভূমিৰ বদলি ইংৰাজ চৰকাৰে দক্ষিণে টুনী নদী, উত্তৰে গৰৈমাৰী, পূবে টুনী নদী আৰু পশ্চিমে ভেৰেক বিলেৰে আবৃত দুশ বিঘা মাটি সত্ৰৰ নামত লিখি দিয়ে।

আহোম ৰজা ৰাজেশ্বৰ সিংহই বৈকুণ্ঠনাথ মহাপ্ৰভুৰ বিগ্ৰহ সত্ৰ সহ নাম দত্ত কৰি পূবে কমলাবাৰীয়া, পশ্চিমে পটীয়াপাৰ, উত্তৰে মৰিটুনী আৰু দক্ষিণে ব্ৰহ্মপুত্ৰৰ দ্বাৰা আবৃত ৪৭০ পুৰা মাটি সত্ৰক দিয়ে। তাৰ পাছত আহোম ৰজা লক্ষ্মীসিংহই বৈকুণ্ঠনাথ, লক্ষ্মীনাথ, বৃন্দাবনচন্দ্ৰ আৰু মদনমোহন মহাপ্ৰভুৰ বিগ্ৰহ সত্ৰ নামদত্ত কৰি ১৬৯৮ শকত ৩২২৬০ বিঘা ১৯ লোচা মাটি সত্ৰক দান কৰে। সেই মাটিৰ পৰিসীমা ক্ৰমে পূবে অগ্নি চাপৰি আৰু গজলা সত্ৰ, পশ্চিমে পচলা খোৱা সুঁতি, উত্তৰে টুনীৰ পুৰণা সুঁতি আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ ধাৰ্য কৰি লাখেৰাজ দেৱোত্তৰ ভূমি সত্ৰলৈ দান কৰি দিয়া ফলি এতিয়াও সত্ৰত সংৰক্ষিত হৈ আছে।

বদলাআতাৰ জন্মস্থান বৰনাৰায়ণপুৰৰ সত্ৰাহীন কলীয়াঠাকুৰ বিগ্ৰহৰ নামত তেতিয়াৰ আহোম ৰজাই দান কৰা ৩৩৬ বিঘা ৩৬ লোচা মাটি এতিয়াও সত্ৰৰ নামত আছে। ৰাইজে ভোগ দখল কৰে। সেই মাটিৰ সামান্য উপাৰ্জ্জনেৰে সত্ৰাহীন সত্ৰ পৰিচালনা কৰা হয়। তাৰোপৰি নগাওঁ জিলাৰ বৰজাহত ২৫ বিঘা মাটিত আজি প্ৰায় দুশ বছৰৰ আগতেই প্ৰতিষ্ঠা হোৱা কমলাবাৰী শাখা সত্ৰ বৰজাহবাসী শিষ্য সমন্বিত ৰাইজে সুন্দৰৰূপত পালন কৰি আহিছে।

মূল কমলাবাৰী সত্ৰত সংৰক্ষিত তাম্ৰপত্ৰ আৰু পুৰণি নথিত উল্লেখ থকা ৰজাসকল ক্ৰমে - জয়ধ্বজ সিংহ, ৰাজেশ্বৰ সিংহ, লক্ষ্মীসিংহ, গৌৰীনাথ সিংহ, কৰ্ণে দফৰ চুৰি চাহাব, কাপ্তান চুৰি চাহাবে সত্ৰলৈ উল্লেখনীয় বৰঙনি আগবঢ়োৱাৰ প্ৰমাণ পোৱা যায়।

**মহাবীৰ মন্দিৰঃ**

কমলাবাৰী সত্ৰৰ কীৰ্ত্তন ঘৰৰ দক্ষিণ দিশত অৱস্থিত মহাবীৰ হনুমানৰ মন্দিৰভাগত পূজাৰীয়ে সদায় পূজা আগবঢ়ায়। ভক্তসকলেও মন্দিৰ দৰ্শন কৰিবলৈ আহি শৰাই আগবঢ়ায় আৰু পূজাৰ প্ৰসাদ গ্ৰহণ কৰে।

কমলাবাৰী সত্ৰখন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত মহাবীৰ হনুমানৰ বিশেষ প্ৰভাৱ আছিল, সেয়ে সত্ৰত মহাবীৰক পূজা কৰিবৰ বাবে মহাবীৰ মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। মহাবীৰ হনুমানে সত্ৰৰ ভকতসকলক সপোনত ব্ৰহ্মপুত্ৰৰ বুকুয়েদি তুলসীৰ কুণ্ডা লৈ অহা কথা অৱগত কৰিছিল। সেয়ে ভকতগণে নদীৰ কাষেদি সত্ৰলৈকে এটা খাল খান্দি উলিয়াইছিল। সেই খালত সপোনত কোৱাৰ দৰেই বহুতো কুণ্ডাৰে ভৰি পৰিছিল। সেই কুণ্ডাবোৰেৰে ভকতসকলে সত্ৰখন নতুনকৈ মেৰামতি কৰিছিল। সেয়ে সত্ৰত হনুমানৰ পূজা কৰিবৰ বাবে মহাবীৰ মন্দিৰ স্থাপন কৰা হৈছিল।

Scanned by CamScanner

# তৃতীয় অধ্যায়

Scanned by CamScanner

# তৃতীয় অধ্যায়


**কমলাবাৰী সত্ৰত সংৰক্ষিত সম্পদসমূহঃ**

মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য বদলাপদ্মআতাই প্ৰতিষ্ঠা কৰা কমলাবাৰী সত্ৰখনত সংৰক্ষিত হৈ থকা মহাপুৰুষ সকলৰ পুৰণি স্মৃতি অথবা সম্পদসমূহ -

**সাঁচিপাতৰ পুথি ঃ**


আগৰ দিনত মানুহে মনৰ ভাৱ প্ৰকাশ কৰিবলৈ বা লিখিত ৰূপ দিবলৈ কোনো কাগজ কলমৰ ব্যৱস্থা নাছিল। কোনো কথা লিখিবৰ বাবে মানুহে সাঁচিপাতৰ ব্যৱহাৰ কৰিছিল। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা বহুতো সাঁচিপাতৰ পুথি কমলাবাৰী সত্ৰত সংৰক্ষিত হৈ আছে। শংকৰদেৱে সাঁচিপাতত লিখা দশম পুথি, কীৰ্ত্তন পুথি বৰ্তমানো সত্ৰত আছে। মহাপুৰুষ শংকৰদেৱক জগদেও ঈশ্বৰে কাশীৰ পৰা আনি দিয়া সংস্কৃত ভাগৱতখন শংকৰদেৱে অসমীয়ালৈ অনুবাদ কৰে। শংকৰদেৱে সেই ভাগৱতখনৰে আলম লৈ তেওঁৰ অন্যান্য পুথিসমূহ ৰচনা কৰে। সাঁচিপাতত মাধৱদেৱে ৰচনা কৰা নামঘোষাও কমলাবাৰী সত্ৰত সংৰক্ষণ কৰি ৰখা হৈছে। সাঁচিপাতৰ পুথিসমূহৰ মাজভাগত সোণেৰে এক অংশ খুদিত কৰি ৰখা হৈছে যাতে পাতখন ফাটি নাযায়। দশম, কীৰ্ত্তন, নামঘোষা, ৰত্নাৱলী, ভাগৱত, চিত্ৰ ভাগৱত, নামমালিকা, ভক্তি ৰত্নাকৰ আদি কৰি প্ৰায় দুস পঞ্চাশখন সাঁচিপাতৰ পুথি সংৰক্ষণ কৰি ৰখা হৈছে।

তলত সাঁচিপাতত ৰচিত হোৱা পুথিসমূহৰ আলোক চিত্ৰ দেখুওৱা হ'ল -



সাঁচিপাতৰ কীৰ্ত্তন পুথি (শংকৰদেৱ)

Scanned by CamScanner



সাঁচিপাতৰ পুথি



সাঁচিপাতৰ সচিত্ৰ পুথি

**তাম্ৰপত্ৰ ঃ**

ৰজাঘৰৰ পৰা লাভ কৰা দেৱোত্তৰ মাটি দিয়াৰ কথা সত্ৰৰ তাম্ৰপলিত লিখি থোৱা আছে। সময়ৰ গতিত সেই দেৱোত্তৰ মাটিৰ সৰ্বাধিক অংশ বৰ্তমান ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল। বৰ্তমানৰ পুৰণি কমলাবাৰী সত্ৰৰ সামান্য ভূমি মাজুলীত আছে যদিও কমলাবাৰী সত্ৰ অসম চৰকাৰে যোৰহাট জিলাৰ তিতাবৰৰ মহিমাবাৰীত দিয়া খেৰাজী মাটিত স্থাপন কৰা হ'ল। সত্ৰই লাভ কৰা সকলোবোৰ দেৱোত্তৰ মাটিৰ হিচাপ তাম্ৰপত্ৰত উল্লেখিত হৈ এতিয়াও আছে।

Scanned by CamScanner

**চিত্ৰ ভাগৱত ঃ**

মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা চিত্ৰ ভাগৱতত লিখাৰ উপৰিও চিত্ৰ অংকন কৰি থোৱা হৈছে। এই ভাগৱতত সাতাইশটা খণ্ড আছে। এই চিত্ৰ ভাগৱতত দহটা অৱতাৰৰ চিত্ৰ অংকণ কৰা হৈছে। এই চিত্ৰভাগৱতখন বৰ্তমানো মূল কমলাবাৰী সত্ৰত সংৰক্ষিত হৈ আছে।



**মঞ্জিৰা তাল ঃ**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নাম গাবলৈ ব্যৱহাৰ কৰা তাল যোৰেই হৈছে মঞ্জিৰা তাল। বৰ্তমান আমি দেখিবলৈ পোৱা তাল এই তালৰ লগত নিমিলে। এই তাল অন্য তালতকৈ কিছু পৃথক। এই তাল শংকৰদেৱে পাছত মাধৱদেৱক দিলে আৰু মাধৱদেৱে বদলা আতাক দিলে। বৰ্তমানো এই মঞ্জিৰা তাল মূল কমলাবাৰী সত্ৰত সংৰক্ষিত কৰি ৰখা হৈছে। এই তালৰ চিত্ৰ তলত দেখুওৱা হ'ল-




মঞ্জিৰা তাল

Scanned by CamScanner

**ময়ুৰপঙ্খী নাঁও ঃ**

আহোম ৰজা জয়ধ্বজ সিংহই বদলাপদ্মআতাৰ মহিমাক মান্য কৰি ৰজাৰ স্থানলৈ অহা-যোৱা কৰিবৰ বাবে এখন নাঁও সজোৱাই দিছিল। নাঁওখন ৫৫ ফুট দীঘল আৰু ৫ ফুট ৮ ইঞ্চি বহলকৈ সজা হৈছিল। এই খেল নাঁওখনি বামতো চলিবপৰাকৈ ঘিলাৰে চকা লগোৱা হৈছিল। সেই নাঁওখনিৰ আৰ্হি মূল কমলাবাৰী সত্ৰত সংৰক্ষিত হৈ আছিল। ১৯৭৪ চনৰ ব্ৰহ্মপুত্ৰৰ প্ৰলয়ঙ্কৰী বানপানী আৰু গৰাখহনীয়াৰ দুৰ্যোগত অসম চৰকাৰৰ তেতিয়াৰ ৰাজহ মন্ত্ৰী পৰমা গগৈদেৱে নাওখনি সংৰক্ষণৰ বাবে গুৱাহাটীৰ মিউজিয়ামলৈ স্থানান্তৰ কৰে।

তলত নাঁওখনৰ ছবি দেখুওৱা হৈছে -




**কাঁহৰ দুৱাৰ ঃ**

আহোম ৰাজবিষয়া প্ৰহ্লাদ গোহাঁয়ে ভকতৰ সেৱাৰ অৰ্থে বদলাআতাই কমলাবাৰী সত্ৰ প্ৰতিষ্ঠাৰ আগেয়েই আগবঢ়োৱা কাঁহৰ দুৱাৰ এতিয়ালৈকে সত্ৰত সংৰক্ষিত হৈ আছে। সত্ৰৰ চৰিত পুথিত থকা মতে - তেতিয়া আছিল ফাগুন- চ'ত মাহ। প্ৰহ্লাদ গোহাঁয়ে দলে-বলে ঘোঁৰাত উঠি ৰংপুৰৰ পৰা ককিলাৰ বান্ধ চাবলৈ নদীৰ পাৰত উপস্থিত হ'লগৈ। কিন্তু বান্ধৰ স্থানত এজনো কৰ্মী দেখা নাপাই ওচৰৰে পথাৰত কোৰ মাৰি থকা এজন বুঢ়াক সোধাতহে গম পালে সমূহ কৰ্মী 'মৌখোৰা' ত বদলাআতাৰ স্থানত অনুষ্ঠিত হৰি কীৰ্তন উৎসৱলৈ গ'ল। নিজ কৰ্ম এৰি থৈ হৰি কীৰ্তনলৈ যোৱা কৰ্মীসকলৰ সম্ভেদ ল'বলৈ কৰ্মপৰায়ণ ৰাজবিষয়া প্ৰহ্লাদ গোহাঁয় মৌখোৰাৰ দিশে আগবাঢ়িল। দূৰৰ পৰাই হৰি কীৰ্ত্তনৰ ধ্বনি তেওঁ ঘোঁৰাৰ পৰা নামি মূৰৰ পাগুৰি খুলি হেংদান আঁতৰাই কীৰ্তনৰ স্থানলৈ খোজ ল'লে। সেই কীৰ্তন সভাৰ মধ্যজেগাত হৰিকীৰ্তনত নিমৰ্জ্জিত বদলাআঁতাৰ দৰ্শন পাই সভাগৃহলৈ সোমাই গ'ল। ৰাইজৰ মাজত এজন ৰজাবিষয়াৰ উপস্থিতিয়ে উৎকণ্ঠাৰ সৃষ্টি কৰিলে। ৰাজ বিষয়ালৈ আগবঢ়াই দিয়া

Scanned by CamScanner

সন্মানীয় মেৰচাৰি আঁতৰাই তৃণৰ আসনত বহি সেইজন ৰজা বিষয়াই একান্তমনে বদলা আতালৈ চাই কীৰ্ত্তন মহোৎসৱৰ আধ্যাত্মিক ভাৱক গভীৰভাৱে উপলব্ধি কৰিলে। প্ৰসাদ বিতৰণৰ সময়ত ৰজাবিষয়ালৈ সন্মান সহকাৰে ঠগিত আগবঢ়াই দিয়া প্ৰসাদ গ্ৰহণ নকৰি আন সাধাৰণ ভকতৰ দৰে কলাপাতত প্ৰসাদ গ্ৰহণ কৰিলে। কীৰ্তনৰ অন্তত বদলা আতাৰ ওচৰলৈ গৈ শৰণ ভিক্ষা কৰিলে। উপবাস আৰু স্নানৰ অন্তত পিছৰদিনা শৰণ গ্ৰহণ কৰি গুৰুৰ ৰন্ধন কলমাহৰ আঞ্জাৰে সুস্বাদু আহাৰ গ্ৰহণ কৰি অমৃতৰ দৰে সোৱাদ লাভ কৰিলে। গুৰুৰ প্ৰসাদ হিচাপে কেইটামান কলমাহ লৈ নিজৰ স্থানলৈ উভতি গ'ল। পাছত তেওঁৰ ভাতৃ কালীচৰণ গোঁহাইৰ মুখে বদলাআতাৰ বিষয়ে সবিশেষ জানিব পাৰি একান্ত ভক্তিভাৱেৰে কাঁহেৰে নিৰ্মিত দুৱাৰ হৰি কীৰ্ত্তনৰ স্থানলৈ আগবঢ়ালে। সেই দুৱাৰ বৰ্তমানলৈকে মূল কমলাবাৰী সত্ৰত সংৰক্ষিত হৈ আছে।

সেই দুৱাৰৰ ছবি তলত দেখুওৱা হৈছে -



এই সমূহৰ উপৰিও মূল কমলাবাৰী সত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা বিভিন্ন পুথি পাজিৰ লগতে শংকৰ, মাধৱ, বদলাআঁতাই ব্যৱহাৰ কৰা বহুতো সম্পদ সংৰক্ষিত কৰি ৰখা হৈছে।

Scanned by CamScanner

# চতুর্থ অধ্যায়

Scanned by CamScanner

## চতুৰ্থ অধ্যায়

## তিতাবৰ সমাজ জীৱনলৈ কমলাবাৰী সত্ৰৰ অৱদান

অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবে প্ৰতিষ্ঠা হোৱা সত্ৰসমূহে অসমৰ ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনত পাঁচশ বছৰৰো অধিক কাল ধৰি বিশেষ ভূমিকা পালন কৰি আহিছে। সত্ৰসমূহক কেন্দ্ৰ কৰিয়েই সাহিত্য, সংগীত আৰু বিভিন্ন শিল্প কলাৰ সৃষ্টি হৈছে। পুৰণি অসমীয়া সাহিত্যলৈ সত্ৰসমূহে যিবোৰ অৱদান আগবঢ়াই আহিছে সেয়া ৰাজকীয় পৃষ্ঠপোষকতাতকৈ কোনো গুণে কম নহয়। গুৰু দুজনাৰ নেতৃত্বত যি ধৰ্মীয় সাহিত্য গঢ় লৈ উঠিছিল সেয়া অসমীয়া সাহিত্যলৈ বিশেষ অৱদান। নাট, গীত, চৰিত সাহিত্য আদিৰ সৃষ্টিৰ ক্ষেত্ৰহত সত্ৰসমূহৰ অৱদান অতুলনীয়। বিভিন্ন সময়ত বিভিন্ন জনে ৰচনা কৰা নাটসমূহৰ ভিতৰত অঙ্কীয়া নাটসমূহ অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অন্যতম অৱদান। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ হাততে অঙ্কীয়া নাটসমূহে জন্ম লাভ কৰে।

তিতাবৰত সত্ৰীয়া সংস্কৃতিৰ বিকাশত কমলাবাৰী সত্ৰৰ অৱদান অতুলনীয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনুপম সৃষ্টি হৈছে সত্ৰীয়া সংস্কৃতি। সত্ৰীয়া সংস্কৃতি অঙ্কীয়া ভাওনাৰ মূল আধাৰ। অসমৰ সাংস্কৃতিক জগতৰ অন্যতম সম্পদ হৈছে সত্ৰীয়া সংস্কৃতি। সত্ৰীয়া সংস্কৃতিৰ সমল সমূহ হৈছে - গীত, নৃত্য, বাদ্য, অভিনয়, নাটক আদি। এই জাতীয় কৃষ্টি সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈ তথা সংস্কৃতিৰ বিকাশৰ বাবে তিতাবৰৰ লগতে ৰাজ্যজুৰি বিভিন্ন ঠাইত সত্ৰীয়া সংগীত চৰ্চা কেন্দ্ৰ, শংকৰী কৃষ্টি কেন্দ্ৰ, সংগীত সত্ৰ, ৰাজ্যিক সঙ্গীত বিদ্যালয়, বিশ্ববিদ্যালয়, সত্ৰসমূহ, সত্ৰীয়া একাডেমী আদি বিভিন্ন অনুষ্ঠানসমূহে পাঠ্যক্ৰম প্ৰস্তুত কৰি পদ্ধতিগতভাৱে প্ৰশিক্ষণ দিয়াৰ প্ৰচেষ্টা চলাই আহিছে। সত্ৰীয়া সংস্কৃতিৰ সৈতে জড়িত বহু অনুষ্ঠান-প্ৰতিষ্ঠান, সত্ৰীয়া পুৰুধাব্যক্তিসকলৰ অপ্ৰাণ চেষ্টাৰ বাবে ২০০০ বৰ্ষৰ ১৫ নৱেম্বৰত সত্ৰীয়া নৃত্যই ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়।

তিতাবৰৰ সত্ৰীয়া সংস্কৃতিৰ বিকাশৰ মূল আধাৰ হৈছে মহিমাবাৰী অঞ্চলত প্ৰতিষ্ঠিত শ্ৰীশ্ৰীকমলাবাৰী সত্ৰ। কৃষ্টি সংস্কৃতিৰ ভঁৰালখ্যাত এই সত্ৰখনি ব্ৰহ্মপুত্ৰৰ প্ৰৱল গৰাখহনীয়াত বিধস্ত হৈ মাজুলীৰ পৰা ১৯৭৫ চনত স্থানান্তৰ হ'ব লগা হয় যোৰহাট জিলাৰ তিতাবৰলৈ। নগা পাহৰৰ দাঁতিকাষৰীয়া তিতাবৰৰ বিস্তৃৰ্ণ এলেকাত সত্ৰীয়া সংস্কৃতিৰ পোহৰ নপৰা অঞ্চলটোৰ সত্ৰখনি হ'ল কৃষ্টি সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। কৃষ্টি সংস্কৃতিৰ বিকাশতো এই সত্ৰখনিৰ উল্লেখযোগ্য অৱদান আছে। এই সত্ৰখনিৰ ছত্ৰছাঁয়াতে থাকি কৃষ্টিৰ সাধক ৰাষ্ট্ৰীয় সন্মান প্ৰাপ্ত মণিৰাম দত্ত মুক্তাৰ, সংগীত একাডেমী বঁটা প্ৰাপক ৰোযেশ্বৰ শইকীয়া বৰবায়ন, ঘনকান্ত বৰা বৰবায়ন, টংকেশ্বৰ হাজৰিকা বৰবায়নৰ লগতে শিল্পী ৰামেশ্বৰ খাটনিয়াৰ বৰবায়ন, ড০ বি. আৰ. আম্বেদকাৰ বঁটা প্ৰাপ্ত সোণাৰাম শৰ্মা বুঢ়াভকত, ভোলা বৰবায়ন আদি বহুজনে সত্ৰীয়া কৃষ্টিলৈ অতুলনীয় অৱদান আগবঢ়াইছে।

Scanned by CamScanner

সময়ৰ অগ্ৰগতিৰ লগে লগে কমলাবাৰী সত্ৰত বৈষ্ণৱ হিচাপে কৃষ্টি সাধনা কৰা বহু কেইগৰাকী ভকত বৈষ্ণৱে সত্ৰখনিৰ পৰা গৈ ৰাজ্যৰ ভিন্ন প্ৰান্তত সঙ্গীত বিদ্যালয় স্থাপন কৰি সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত বিশেষ অৰিহণা আগবঢ়াইছে। তিতাবৰত তৰুণ বৰবায়ন আৰু গোবিন বৰা বৰবায়নৰ তত্ত্বাৱধানত শ্ৰীমন্ত শঙ্কৰ বিদ্যাপীঠত স্থানীয় ৰাইজৰ সহযোগত ‘শ্ৰীগুৰু সঙ্গীত বিদ্যালয়’খন প্ৰতিষ্ঠা কৰে। দুয়োজনে সত্ৰখনিত থাকি সত্ৰীয়া কৃষ্টিৰ ক্ৰমবিকাশত মনোনিৱেশ কৰি পিছলৈ ‘শশীকুল সংগীত বিদ্যালয়’ নামেৰে তিতাবৰ মিলন নগৰত অন্য এখন সংগীত বিদ্যালয় স্থাপন কৰিলে। বিদ্যালয়খনিৰ জৰিয়তে তেখেত সকলে তিতাবৰৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সত্ৰীয়ানৃত্য, গীত, বাদ্য, অংকীয়া নাট, ভাওনা ৰাসলীলাৰ উপৰিও তিতাবৰত মহিলা ভাওনা অনুষ্ঠিত কৰি অন্য এক কৃষ্টিৰ সংযোজন ঘটালে। শ্ৰীগুৰু সঙ্গীত বিদ্যালয়ৰ অধ্যক্ষ তৰুণ বৰবায়ন আৰু গোবিন বৰা বৰবায়নে কৃষ্টিৰ বিকাশৰ লগতে অঞ্চলটোৰ একাংশ নিবনুৱা যুৱক যুৱতীক কৃষ্টি চৰ্চাতে মনোনিৱেশ ঘটাই সংস্থাপিত কৰি আত্মনিৰ্ভৰশীল কৰি তোলাটোও এক অন্যতম নিদৰ্শন। বিদ্যালয়খনিৰ জৰিয়তে গুৰুজনাৰ অন্যতম সৃষ্টি ৰাম-বিজয়, পাৰিজাত হৰণ, অংকীয়া ভাওনা, ছালি, ঝুমুৰা আদি নৃত্যসমূহ তিতাবৰৰ লগতে ডিগবৈ, শিৱসাগৰ, দিল্লী, গুৱাহাটী আদি বিভিন্ন ঠাইত প্ৰদৰ্শন কৰি পুৰস্কৃত হৈ তিতাবৰলৈ গৌৰৱ কঢ়িয়াই আনিছে।

তিতাবৰৰ দৰে পিছপৰা অঞ্চলটোৰ সাংস্কৃতিক বিকাশত শ্ৰীশ্ৰীকমলাবাৰী সত্ৰই বিশেষ ভূমিকা পালন কৰিছে। তিতাবৰৰ আধুনিকতাৰ পোহৰ নপৰা তথা সাংস্কৃতিক ক্ষেত্ৰত পিছপৰা মহিমাবাৰী অঞ্চলটোৰ সাংস্কৃতিক ক্ষেত্ৰখনৰো প্ৰসাৰ ঘটোৱাত এই সত্ৰখনে বিশেষভাৱে সহায় কৰিছে। কমলাবাৰী সত্ৰখনে অঞ্চলটিৰ কণ কণ শিশুসকল, যুৱক-যুৱতী সকলক আদৰি সত্ৰীয়া কৃষ্টি চৰ্চাৰ ক্ষেত্ৰত নৱ প্ৰজন্মক বাট দেখুওৱা, তিতাবৰৰ শ্ৰী গুৰু সঙ্গীত বিদ্যালয় আৰু শশীকুল সংগীত বিদ্যালয়ে যি ভূমিকা আগবঢ়াইছে তাৰ সমান্তৰালভাৱে কমলাবাৰী সত্ৰৰ বহুকেইগৰাকী শিল্পী তথা সাধকৰ অপ্ৰাণ চেষ্টাত বিশাল তিতাবৰ সত্ৰীয়া কৃষ্টিৰে বিকশিত কৰি উজ্বলাই তুলিছে।

Scanned by CamScanner

# উপসংহাৰ

নিৰ্বাচিত “কমলাবাৰী সত্ৰৰ ইতিবৃত্ত” বিষয়টো আলোচনা কৰোতে গৱেষণা পত্ৰখন চাৰিটা অধ্যায়ত বিভাজন কৰি লৈছিলো। প্ৰথম অধ্যায়ৰ প্ৰাসংগিক ৰূপে অসমৰ সত্ৰ সংস্কৃতিক দাঙি ধৰা হৈছে। দ্বিতীয় অধ্যায়ত কমলাবাৰী সত্ৰৰ ইতিহাস দাঙি ধৰা হৈছে। তৃতীয় অধ্যায়ত এই কমলাবাৰী সত্ৰত সংৰক্ষিত সম্পদসমূহৰ কিছু বিৱৰণ দাঙি ধৰা হৈছে আৰু তাৰ লগতে চতুৰ্থ অধ্যায়ত এই কমলাবাৰী সত্ৰখনে তিতাবৰ সমাজ জীৱনলৈ কিদৰে অৱদান আগবঢ়াইছে তাৰ এক আলোচনা দাঙি ধৰা হৈছে।

সত্ৰীয়া সংস্কৃতিৰ ভঁৰালখ্যাত কমলাবাৰী সত্ৰৰ বিষয়ে লিখিবলৈ লোৱাটো আমাৰ বাবে বিশাল সমুদ্ৰত হাত নাওঁ বোৱাৰ দৰে। মাজুলীৰ মূল কমলাবাৰী সত্ৰখন কেনেদৰে প্ৰতিষ্ঠা হৈছিল, কেনেদৰে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সত্ৰখন নিৰাপদে ভকত-বৈষ্ণৱ আৰু চৰকাৰৰ সহায়ত মাজুলীৰ পৰা যোৰহাটস্থিত তিতাবৰ, মহিমাবাৰী অঞ্চললৈ স্থানান্তৰ কৰি মহাপুৰুষ দুজনাই সৃষ্টি কৰা কৃষ্টি সংস্কৃতি চৰ্চা অব্যাহত ৰখা হৈছিল তাৰ আভাস এই গৱেষণা পত্ৰখনৰ জৰিয়তে দাঙি ধৰা হৈছে। এই আলোচনাৰ জৰিয়তে আমি ইয়াকে পালো যে অসমৰ সত্ৰসমূহে অসমত সংস্কৃতিৰ বিকাশ যেনে- নৃত্য, গীত আদিৰ বিকাশ ঘটাই অসমৰ সংস্কৃতিক বিশ্ব দৰবাৰত জিলিকাই তুলিবলৈ সক্ষম হৈছে।

Scanned by CamScanner

# গ্ৰন্থপঞ্জী

অসমীয়া

ডাং বৰা (বৰুৱা), তুলতুল ঃ ইতিহাসৰ জলঙাৰে শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ শত পল্লৱ, প্ৰকাশক ঃ কৃষ্টি প্ৰচাৰ সমিতি, মূল শ্ৰীশ্ৰীকমলাবাৰী সত্ৰ, তিতাবৰ, প্ৰথম প্ৰকাশ - ১৯৩২ শক, ভাদ মাহ, আগষ্ট ২০১১ চন।

মহন্ত বাপচন্দ্ৰ ঃ মহাপুৰুষীয়া পৰম্পৰাত সত্ৰ আৰু সংগীত প্ৰকাশক ঃ অসম সত্ৰ মহাসভা, যোৰহাট,অসম প্ৰথম প্ৰকাশ - চেপ্তেম্বৰ, ২০০৩ চন

Scanned by CamScanner

# প্ৰসঙ্গ টোকা

১) নাৰায়ণচন্দ্ৰ গোস্বামীৰ 'সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা' গ্ৰন্থত সত্ৰৰ সংজ্ঞা এনেদৰে দিছে — "য'ত ঈশ কথা ভক্তৰ মুখত প্ৰকাশ পায়, য'ত অবিৰাম ভক্তৰ সমাৱেশ হৈ যৎ সংলাপ কৰোঁতে নিজান্দ সুখ পৰিপূৰ্ণ বৈকুণ্ঠ পৰিহৰি ভগৱন্তে তন্ময় ৰিতন্ত ভক্তৰ আকুল আহ্বানত তেৰাসৱৰ নিকটস্থ হৈ আত্মবিস্মৃত হয়, সেই ভক্ত ভগৱন্তৰ ৰজপুত স্থানেই হ'ল সত্ৰ / স্থান।" — অনলাইনত গুগল যোগে উপলব্ধ, Kalsum Bibi , অসমীয়া কথা বতৰাৰ পৰা লোৱা হৈছে।

২) ইতিহাসৰ জলঙাৰে শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ শতপল্লৱ গ্ৰন্থত বদলাআতাৰ মুখৰ এষাৰ কথাৰ বৰ্ণনা পোৱা গৈছে - "তোম্ৰাসৱে - কীৰ্ত্তন এৰি কিয় অহা গ'ল? পুনৰাই যোৱাজক, মোৰ অতি প্ৰাণৰ 'জয়জয় নন্দ' গীত ফাকি গোৱাজক।" পৃষ্ঠা নং - ১২০

৩) ইতিহাসৰ জলঙাৰে শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ শতপল্লৱ গ্ৰন্থৰ 'সত্ৰৰ স্থাৱৰ সম্পত্তি' অংশৰ পৰা তথ্য লোৱা হৈছে। পৃষ্ঠা নং - ১৫৯

Scanned by CamScanner

# তথ্য দাতাৰ তালিকা

| ক্ৰমিক নং | তথ্য দাতাৰ নাম | বয়স | বৃত্তি |
|---|---|---|---|
| ১ | শ্ৰীশ্ৰীভৱকান্তদেৱ গোস্বামী | ৯০ | সত্ৰাধিকাৰ |
| ২ | শ্ৰীসোণাৰাম শৰ্মা বুঢ়াভকত | ৭১ | বুঢ়াভকত (সংস্কৃতিৰ সাধক) |
| ৩ | শ্ৰীদণ্ডিৰাম শৰ্মা বুঢ়াভকত | ৭০ | বুঢ়াভকত |

Scanned by CamScanner